
# নীল সাগৰৰ সাধু

(Victor Hugo ৰচিত জনপ্ৰিয় কাহিনী Toilers of The Sea ৰ মৰ্মানুবাদ)



মহেন্দ্ৰ বৰা

## দুটি কথা

পৃথিৱীক প্ৰাণৰ উম দি ভালপোৱা মানুহৰ সংখ্যা অতি তাকৰ। তাতে যদি কোনো স্বাৰ্থৰ চেকা নলগাকৈ নিজৰ দেশক ভালপোৱাৰ পুৰস্কাৰ কুৰি বছৰীয়া নিৰ্বাসন-দণ্ড লয়, তেতিয়া পৃথিৱীক ঘৃণা কৰিবৰ যুক্তিয়েই বেচি। কিন্তু ভিক্টৰ হিউগোৱে পৃথিৱীক কেৱল ভাল পায়েই নেৰিলে। পৃথিৱীক ধুনীয়াও দেখিলে। তেওঁৰ কল্পনাৰ পৃথিৱীখনত মৰম-মিহলি পৰশ লাগি জীৱনটো হৈ উঠিছে, পখিলা-পাখিৰ দৰে ৰঙীন আৰু সাগৰৰ দৰে বিপুল। জীৱিকাৰ তুচ্ছতাক চেৰাই যোৱা সেই গভীৰ জীৱনৰ এটি ৰেখা-চিত্ৰ আঁকিছিল, বন্দীশালৰ আন্ধাৰ-কোঠাত বহি বহি। জীৱনৰ সৌন্দৰ্যৰ প্ৰতি হিউগোৰ এই অবিচলিত শ্ৰদ্ধা তেওঁৰ Toilers of the sea-ৰ পাতে পাতে জিলিকি উঠিছে। অকণিহঁতক তাৰে সন্ধান দিবলৈ এই পুথিখন চমুকৈ সজাই উলিওৱা হ'ল।

প্ৰেমৰ কাহিনী অকণিহঁতৰ কাৰণে নহয়। কিন্তু হিউগোৰ পৃথিৱীখনৰ প্ৰেম, বাৰিষাৰ বান-পানী নহয়। ই আত্মাৰ ৰহস্যময় আকৰ্ষণ। এই অনুভূতি গভীৰ আৰু নিবিড়। সাগৰপৰীয়া মানুহবোৰৰ কাৰণে সাগৰৰ এটা সুকীয়া আহ্বান আছে। মানুহৰ আত্মাটোৱে সাগৰৰ আত্মাটোক কোন টুকুৰা চিনা-নিচিনা সীমান্তত সাৱটি ধৰিছে, কোনেও ক'ব নোৱাৰে। এই পুথিৰ প্ৰেমৰ কাহিনীটোৱে এনে এটা গভীৰ উপলব্ধিৰ পাখিৰ ছাঁত জিৰণি লৈ থকা যেনহে লাগে। সেয়েহে অকণিহঁতলৈ নিৰ্ভয়ে আগবঢ়াবলৈ সাহ উপজিল—মনে কিজানি চেৰাই যাব, দৈনন্দিন জীৱনৰ তুচ্ছতাক; মন কিজানি ভৰি উঠিব, সমুদ্ৰ-স্তনিত আশা-আকাঙ্ক্ষাৰে। সেই আশাৰে।

—মহেন্দ্ৰ বৰা

**প্ৰধান চৰিত্ৰ পৰিচয় ঃ**

ল্যটিয়াৰি ( Lethiarry ) ঃ সাগৰ সম্বন্ধে অভিজ্ঞতা থকা এজন নাবিক। পাচত জাহাজৰ গৰাকী হয়গৈ।

দেৰুছেৎ ( De'ruchette ) ঃ ল্যটিয়াৰিৰ ভতিজা-জীয়েক। সৰুতে তেওঁৰ মাক-বাপেক ঢুকায়। ল্যটিয়াৰিয়ে তুলি-তালি ডাঙৰ-দীঘল কৰে।

গিলিয়াট ( Gilliatt ) ঃ এজন বৰ সাহসী ডেকা। মানুহে যাদুকৰ বুলি ভাবিছিল। ফৰাচী বিপ্লৱৰ সময়ত মাকে এওঁক লৈ গাৰ্ণচে দ্বীপত আশ্ৰয় লয়হি। বয়স বেচি নৌ হওঁতেই মাকো ঢুকাল।

ক্লুউবাঁ ( Clubin ) ঃ ল্যটিয়াৰিৰ জাহাজৰ কাপ্তান।

ৰেটান ( Rataine ) ঃ ল্যটিয়াৰিৰ জাহাজৰ কাপ্তান আছিল। পাচত টকা-পইচা চুৰি কৰি পলাই যায়।

এবিনেজাৰ কদ্ৰে ( Ebenezer Caudray ) ঃ এজন ডেকা পুৰোহিত।

জুৱলাঁ ( Zuela ) ঃ এজন কাপ্তান। এওঁ চোৰাং বেপাৰী আৰু পলৰীয়া আচামীবোৰক আন দেশলৈ যোৱাত সহায় কৰিছিল।

ইয়াৰ উপৰিও এই আচহুৱা নামবোৰ ঃ

গাৰ্ণচে ( Guernsey ) ঃ ফ্ৰান্সৰ উপকূলত ইংলিচ-চেনেলৰ মাজৰ এটা সৰু দ্বীপ। এই দ্বীপতে হিউগো বহুতদিন নিৰ্বাসিত হৈ আছিল।

লা দ্যুৰাঁদ ( La Durande ) ঃ ল্যটিয়াৰিৰ জাহাজৰ নাম।

ব্ৰাভে ( Brave'es ) ঃ ল্যটিয়াৰিৰ ঘৰৰ নাম।

বুদ্যলাৰু ( Bu de la Rue ) ঃ গিলিয়াটৰ ঘৰৰ নাম।

ফ্ৰাঁ ( Franc ) ঃ ফৰাচী দেশৰ মুদ্ৰাৰ নাম।

বৰ্দিনৰ ধুনীয়া পুৱা এটা। গাৰ্ণচেত সেইদিনা খুব বৰফ পৰিছে।

ন বাজিছিল। তথাপি বাটলৈ কোনো মানুহ ওলোৱা নাই।

গিৰ্জালৈ যোৱা ৰাস্তাটোৰ ওপৰত মাত্ৰ তিনিটা প্ৰাণী। অকণমানি ল'ৰাটোৱে ৰাস্তাৰ ওপৰত ৰৈ চাৰিওপিনে চকু ফুৰালে। চাৰিওপিনে বগা ধৱধৱীয়া বৰফ। আৰু একো নাই। পাছে পাছে আহিছিল এজনী দীপ্‌-লিপ ছোৱালী আৰু এজন ডেকা। ডেকাজন ছোৱালীজনীৰ বহুত পাছ পৰি গৈছিল। ডেকাজনক দেখিলে জাহাজৰ নাবিক যেন লাগে। কামলৈ যোৱাৰ সাজ পিন্ধিয়েই ওলাইছিল। বৰদিনৰ দিনাখনো তেওঁ গিৰ্জালৈ যোৱা নাই। তেওঁৰ গধূৰ বুটযোৰৰ তলিত লোহা লগোৱা আছিল। বৰফৰ ওপৰত তাৰ সাঁচ বহি গৈছিল।

ছোৱালীজনীৰ গাত উৎসৱৰ ৰংচঙীয়া সাজ। তেওঁৰ ভৰিৰ জোতাৰ কোমল খোজৰ দাগ বৰফৰ ওপৰত বহা নাছিল। খোজবোৰ ইমান পাতল!

ডেকাজনে ছোৱালীজনীৰ পিনে চোৱা নাছিল। আপোন মনে গৈ আছিল।

বহল পথাৰখন পাৰ হৈ এশাৰী ওক গছ। ক'লা ওক গছবোৰত বৰফৰ বগা চামনিবোৰ ওলমি পৰিছিল। ছোৱালীজনী সেই-খিনিতে অলপ থমকি ৰ'ল। তেওঁ পাছ পিনে ঘূৰি চালে। ডেকাজনৰ চকু তেওঁৰ ওপৰত পৰা নাই। তেওঁ দাঁতৰ মাজত আঙুলি এটা ভৰাই কিবা এটা ভাবিলে। তাৰপিচত সমুখৰ পিনে হালি পৰি বৰফৰ ওপৰত আঙুলিৰে কিবা এটা লিখি বেগাবেগিকৈ খোজ ল'লে। কিছুদূৰ যোৱাৰ পিচত তেওঁ ঘূৰি চালে। ডেকাজনে

দেখিলে, বহুত দূৰৰ সেই ছোৱালীজনী চিনাকি। তেওঁৰ নাম দেৰুছেৎ।

ডেকাজন লাহে লাহে গৈছিল। পাছে পাছে এৰি আহিছিল, বুট জোতাৰ সাঁচবোৰ। হঠাৎ তেওঁৰ চকু পৰিল ওচৰৰ বৰফ-খিনিৰ ওপৰত। বৰফৰ ওপৰত ছোৱালীজনীয়ে লিখি থৈ গৈছে—'গিলিয়াট্'।

নামটো ডেকাজনৰেই।

অলপ সময় তেওঁ সেই জোতাৰ পাতল দাগ দুটা আৰু আখৰ কেইটালৈ চাই ৰ'ল মুগ্ধ চকুৰে। তাৰ পিচত গধুৰ মনেৰে পাহাৰৰ পিনে খোজ দিবলৈ ধৰিলে।

●

ডেকা গিলিয়াটৰ পূৰ্ব-পুৰুষৰ কথা কোনেও নেজানে।

তেওঁ বাস কৰিছিল, গাৰ্ণচে দ্বীপৰ এটা ভূতে পোৱা ঘৰত। ঘৰটো ভাগি-ছিগি নাইকিয়া হৈ আহিছিল। খিৰিকিৰ কাঁচ বুলিবলৈ এখনো নাই। দুৱাৰমুখত কচু-ঢেকিয়াৰে হাবি হৈ উঠিছিল। ঘৰৰ ভিতৰতো মকৰাৰ জাল, পৰুইতাচোৰাৰ বাহ। ইপিনে সিপিনে ভঙা কলহ-টেকেলীৰ খোলাকটিৰে ভৰা। দেৱালৰ ইটাৰ ফাকে ফাকে নাম নজনা বন আৰু শেলুৰৈ গজি উঠিছে। মানুহে ভাবে, এনেবোৰ ঘৰত ভূত-পিশাচ থাকেই।

গিলিয়াটৰ এই ঘৰটোৰ নাম, বুদ্যলাৰু। বুদ্যলাৰু এটা পাহাৰৰ ওপৰত আছিল। বাহিৰৰ পৰা গোটেই ঘৰটো চকুত নপৰে। ওচৰৰ বাৰীখন, সাগৰৰ পানী উঠি মাজে মাজে ডুবি যায়।

ওঠৰ শতিকাৰ বহু ধৰণৰ কু-সংস্কাৰৰ কাল্পনিক কুঁৱলীৰে ঢাক খাই আছিল, এই সৰু ঘৰটো।

ফৰাচী বিপ্লৱৰ শেষৰ পিনে এগৰাকী তিৰোতা কোলাত এটি কেঁচুৱা লৈ গার্ণচে দ্বীপত নামিলহি। অকণমানি ল'ৰাটিক লৈ তেওঁ এই ঘৰটোতে থাকিবলৈ ল'লে। কিছুমানে কয়, ল'ৰাটো হেনো তেওঁৰ নিজৰ নহয়—ভতিজাকহে। আন কিছুমানে কয় ল'ৰাটো তেওঁৰ নিজৰে।

ঘৰটো মানুহজনীয়ে কিনি ল'লে। তাৰপিচত, ল'ৰাকণৰ লৈ শান্তিৰে দিন কটাবলৈ ধৰিলে। মানুহে কোৱা-কুই কৰিছিল: ঘৰটো এইবাৰ উপযুক্ত মানুহেই লৈছে। মানুহজনী ডাইনী যখিনীয়েই হ'ব পায়। নহ'লে তেনেকুৱা ঘৰত থাকিবলৈ মানুহে জানো সাহ কৰিব পাৰে?

মানুহজনীয়ে ঘৰটো অলপ চাফচিকুণ কৰাই ল'লে; বাৰীখনে চিকুণালে। তাতে অলপ শাক-পাচলিৰো খেতি আৰম্ভ কৰিলে সমুখৰ বাগিচাখনত ধুনীয়া ধুনীয়া ফুলৰ গছ ৰুই দিলে। ঘৰখনে হাঁহি উঠিল।

তেতিয়াৰ দিনৰ মানুহবোৰে য'তে ত'তে তন্ত্ৰ-মন্ত্ৰ ভূত-পিশাচ গোন্ধ পাইছিল। কিন্তু এই তিৰোতা গৰাকীৰ মনত এই কু সংস্কাৰবোৰে বাহ ল'ব পৰা নাছিল। গতিকে ওচৰ-চুবুৰীয় মানুহবিলাকৰ পৰা আঁতৰিয়েই ৰ'ল। ল'ৰাটোক পঢ়া-শুন শিকায়েই আজৰিখিনি সময় কটাইছিল। গিৰ্জালৈ কোনোদি মুৰ কৰা নাছিল। গতিকে, ওচৰ-চুবুৰীয়াৰ কাৰণে তেওঁ এ অদ্ভুত বস্তু হৈয়েই থাকিল।

ল'ৰাটোৱে ডেকা বয়সত ভৰি দিলেহি। তিৰোতা গৰাকী ক্ৰমে বুঢ়ী হৈ আহিল। এনেকৈয়ে সমাজৰ পৰা আঁতৰত থাকি দুটি মানুহৰ সুখৰ জীৱন কাটি গৈছিল। হঠাৎ এদিন তা ব্যতিক্ৰম ঘটিল। বুঢ়ী গৰাকীয়ে চিৰদিনলৈ চকু মুদিলে।

মাকৰ মৃত্যুত ডেকা গিলিয়াটে চকুৰে ধুৱলি-কুঁৱলী দেখিলে অকলশৰে এই প্ৰকাণ্ড ঘৰটোত কেনেকৈ থাকিব? কাৰ লগ

কথা পাতিব ? আপোনজন বুলিবলৈ তেওঁৰ নো কোন আছে ? বহুতো প্ৰশ্নই একেলগে তেওঁক জুমুৰি দি ধৰিলেহি।

মাক মৰাৰ পিচৰ পৰা ঘৰটোৰ নিস্তব্ধতা আৰু যেন বেচি গহীন হৈ আহিল। এদিন গিলিয়াটে চুকৰ ডাঙৰ বাকচটো খুলি চালে। গিলিয়াটে দেখিলে, তাৰ ভিতৰত পাটৰ ধুনীয়া ধুনীয়া কাপোৰ-কানি বান্ধি থোৱা এটা টোপোলা আছে। টোপোলাটোৰ ওপৰত মাকৰ হাতৰ লিখা ঃ যেতিয়া তুমি বিয়া কৰিবা, এই উপহাৰখিনি বোৱাৰীক দিবা।

ডেকা গিলিয়াটে কাৰো লগত বেচি হালিগালি কৰি নুফুৰি-ছিল। দিনটো কাম-কাজৰ মাজতে ডুব গৈ থাকে। গধূলি অলপ ফুৰিবলৈ ওলাই যায়, অকলশৰে। বনৰ চৰাই ধৰি অনা মানুহ-বোৰৰ পৰা চৰাই কিনি আনিছিল ; আৰু সিহঁতক উৰাই দি তেওঁ বৰ ৰং পাইছিল। কাৰো লগত কোনোদিন তেওঁ অভদ্ৰ ব্যৱহাৰ কৰা নাছিল।

তেওঁ প্ৰায়েই মাছ ধৰিবলৈ গৈছিল। হাতত এটা বাঁহী লৈ যায়। সাগৰৰ পাৰলৈ গৈ পাহাৰৰ ওপৰত উঠি সন্ধিয়া সেই বাঁহীটোত ফু দিছিল। তেওঁৰ সেই উদাস সুৰটো সাগৰৰ ওপৰেদি কঁপি কঁপি বহুত দূৰলৈ উটি গৈছিল।

কিন্তু যিমানে তেওঁ এইদৰে মানুহৰ পৰা আঁতৰি ফুৰিছিল মানুহৰ সন্দেহো সিমানে বাঢ়ি আহিছিল। দিনত কোনোৱেই দেখা পায় বুলি তেওঁ ৰাতিহে সাগৰৰ পানীত নামি গা ধুইছিল। গিলিয়াটৰ মাকৰ কিছুমান কিতাপ আছিল। গিলিয়াটে সেইবোৰ পঢ়িব নোৱাৰিছিল। কাৰণ, লিখা-পঢ়া তেওঁৰ জীৱনত নহ'লেই। কিন্তু এই কিতাপবোৰে মানুহৰ সন্দেহৰ লাগনি-কাঠ যোগাইছিল। তেওঁলোকে ভাবিছিল, তাত জৰা-ফুকা, তন্ত্ৰ-মন্ত্ৰৰ কথা লিখা আছে।

গিলিয়াটৰ গাৰ গঠনটো খুব ধুনীয়া আছিল। সৰুৰে পৰা

ব্যায়াম কৰি তেওঁৰ শৰীৰৰ বান্ধটো আঁটিল হৈ পৰিছিল। যেই কোনো কঠিন কামতে তেওঁৰ দুয়োখন হাত সমানে চলিছিল। সৰুৰে পৰা অভ্যাস থকা কাৰণে পাহাৰত তেওঁ কেকেঁটুৱাৰ নিচিনাকৈ অনায়াসে বগাই ফুৰিব পাৰিছিল।

গিলিয়াটৰ নিজৰ এখন নাও আছিল। নাও চলোৱাতো তেওঁ আছিল নিপুণ। বতাহ-ধুমুহা একোলৈকে ভয় নকৰিছিল।

গাৰ্ণচেৰ এটা নাও চলোৱা প্ৰতিযোগিতাত বৰ ডাঙৰ ডাঙৰ জাহাজ চলোৱা নাবিক কিছুমানকো চেৰ পেলাই তেওঁ সকলোকে আচৰিত কৰি তুলিছিল। ল্যাটিয়াৰিৰ দৰে এজন বিখ্যাত মানুহে আগবাঢ়ি আহি কৈছিল ঃ বেচ সাহসী ডেকা তুমি। সময়ত তুমি এজন অদ্বিতীয় নাবিক হৈ উঠিবা।

নাবিকবোৰে ঈৰ্ষাৰ চকুৰে চালে, তেওঁলৈ।

আন কিছুমান পৰশ্ৰীকাতৰ মানুহে ৰটি ফুৰিছিল, গিলিয়াটে হেনো কিবা গছ এজোপাৰ ডাল এটা তেওঁৰ নাৱত লুকুৱাই লৈ গৈছিল। মন্ত্ৰৰ বলতহে তেওঁৰ নাওখন বতাহ-ধুমুহাকো নগণি আগবাঢ়ি যাব পাৰিছিল।

ৰাতি গিলিয়াটে জাল লৈ মাছ মাৰিছিলগৈ। আৰু সকলোতকৈ বেচি মাছ উঠিছিল, তেওঁৰ জালতে। নিজক লগাতকৈ সৰহ মাছ তেওঁ ঘৰলৈ কেতিয়াও নানিছিল। ওচৰে-পাঁজৰে থকা মানুহবোৰক মাছবোৰ বিলাই দিছিল। কিন্তু তেওঁলোকে তেওঁৰ এই গুণৰ মূল্যেই শলাগ নলৈছিল। বৰং কৈছিল যে, গিলিয়াটে মন্ত্ৰ মৰা গছৰ ডাল পেলাই তেওঁৰ জালৰ মাজলৈ মাছবোৰ টানি আনিছিল!

মাছ ধৰাৰ কৌশলত বাহিৰেও, গিলিয়াটে কাঠ-মিস্ত্ৰিৰ কাম, কমাৰৰ কাম আদি ভালকৈ জানিছিল। সৰু-সুৰা ইঞ্জিনীয়াৰেই হৈ উঠিছিল তেওঁ। নাও মেৰামতি কৰিবলৈ, ডুবি যোৱা নাও তুলিবলৈ প্ৰায়েই তেওঁক মানুহে মাতিছিল। সকলো সময়তে

গিলিয়াটে হাঁহি মুখে নিস্বার্থভাৱে এই সকলোবোৰ কৰি দিছিল।

পাহাৰৰ শিখৰ, সাগৰৰ ঢৌ তেওঁৰ মাটি আৰু নাও—এইখিনিকে লৈ গিলিয়াটৰ জীৱন কাটিছিল। ৰাতি তেওঁ পাহাৰৰ শিখৰত উঠি সাগৰৰ পিনে চাই থাকে—কি বিৰাট, অনন্ত এই নীল সাগৰ! তাৰ পিচত আকাশৰ পিনে চায়—অপূৰ্ব এই তৰাভৰা নীল আকাশ। পাহাৰ, সাগৰ আৰু আকাশ—এই তিনিওটা বিৰাটৰ পৰশ লাগি মনটো যেন নাও মেলি গুচি যায় বহুত দূৰলৈ। ওচৰ-চুবুৰীয়াবোৰৰ নীচতা, ঈৰ্ষা আৰু কপটতাই গিলিয়াটৰ বিৰাট মনটোত অকণিও মলিন দাগ ৰাখি যাব নোৱাৰে।

●

গাৰ্ণচে দ্বীপৰ এজন বিশিষ্ট নাগৰিক হ'ল, ল্যাটিয়াৰি। ল্যাটিয়াৰি আছিল, এজন বিখ্যাত নাবিক। বহুত দেশ দেখিছে তেওঁ। দহ বছৰ বয়সতে ল্যাটিয়াৰিয়ে কেবিন-বয় হৈ জাহাজৰ ভিতৰত সোমাইছিল। দোপত দোপে উন্নতি কৰি তেওঁ জাহাজৰ কাপ্তান হয়গৈ। আঢ়ৈ কুৰি বছৰ পাৰ হৈ গৈছে সাগৰৰ বুকুতে। বিয়া কৰাবলৈ নহ'ল আৰু। বিয়া বোলা বস্তুটো ল্যাটিয়াৰিয়ে কোনোদিনে ভাল চকুৰে চাব নোৱাৰিলে। কিন্তু তেওঁৰ হাতখন যেনে কামিলা আছিল, মনটোও আছিল তেনে বহল—আকাশ চুই যোৱা মন। সাগৰৰ বাধা চিৰদিন অগ্ৰাহ্য কৰি আহিছে ল্যাটিয়াৰিয়ে। পাৰৰ বাধাৰ ওচৰতো কোনোদিন তেওঁ মূৰ নোদোঁৱালে।

ৰেটান আছিল ল্যাটিয়াৰিৰ নলে-গলে লগা বন্ধুৰ দৰে। দুয়োবো টকা-পইচা বহুতো সময়ত একেলগে ৰাখিছিল। কিন্তু

ৰেটানক এদিন আৰু বিচাৰি পোৱা নগ'ল। ল্যাটিয়াৰিৰ ভাগৰ ৫০,০০০ ফ্ৰাঁও পোৱা নগ'ল। ৰেটান পলাল।

বিশ্বাসঘাতক ৰেটান। ল্যাটিয়াৰিৰ দুকুৰি বছৰীয়া নাবিক জীৱনৰ প্ৰায় আধাখিনি উপাৰ্জন চুৰি কৰি পলাল, ৰেটান। কিন্তু ল্যাটিয়াৰিয়ে সাগৰৰ বতাহ-ধুমুহাক কোনো দিনেই ভয় কৰা নাছিল। পাৰৰ মানুহৰ হীন ব্যৱহাৰেও তেওঁৰ দৃঢ় মনটোক ভাঙি যাব নোৱাৰিলে। ল্যাটিয়াৰিয়ে এখন ডাঙৰ ভপ-নাও তৈয়াৰী কৰি চলাবলৈ আৰম্ভ কৰিলে। দিনে-ৰাতিয়ে খাটি ল্যাটিয়াৰিয়ে কিছুদিনৰ পিচতে ৪০,০০০ ফ্ৰাঁ লৈ কিনি পেলালে এখন জাহাজ। এই জাহাজখনৰ নাম দিলে, 'লা দ্যুৰাঁদ'।

দ্যুৰাঁদে মাল-বস্তু, মানুহ লৈ সপ্তাহত দুবাৰ সাগৰ-যাত্ৰা কৰে। আন জাহাজতকৈ চাৰিগুণ বস্তু নিব পাৰিছিল এই দ্যুৰাঁদে। চাওঁতে চাওঁতে ল্যাটিয়াৰিৰ অৱস্থা আকৌ ঠন্ ধৰি উঠিল।

বুঢ়া বয়সত দুটি মাত্ৰ অৱলম্বন ল্যাটিয়াৰিৰ—এটা হ'ল তেওঁৰ জাহাজখন 'লা দ্যুৰাঁদ'; আৰু আনটো হ'ল তেওঁৰ এজনী ভতিজা-জীয়েক, দেৰুছেৎ। দেৰুছেতৰ বিয়াৰ বয়স হ'লহি। কিন্তু ল্যাটিয়াৰিৰ দৰে কঠিন মানুহজনেও তেওঁক বিয়া দিয়াৰ কথা ভাবিলেই যেন একেবাৰে অসহায় বোধ কৰে।

ল্যাটিয়াৰিৰ ব্যৱসায়ী জীৱনত চিৰদিন বাধা আৰু বিদ্ৰূপ শুনি আহিছে, এমুঠি পুৰোহিতৰ পৰা। গিৰ্জাৰ এই পুৰোহিতবোৰে কোনোদিন তেওঁক ভাল চকুৰে চাব পৰা নাছিল। ল্যাটিয়াৰিয়েও গিৰ্জা আৰু পুৰোহিতৰ পৰা সদায় আঁতৰে আঁতৰে ফুৰিছিল। তেতিয়াৰ দিনৰ পুৰোহিতবোৰ আছিল যেই কোনো উন্নতিৰ বিৰুদ্ধে। মানুহৰ চকু মেল খালেই কু-সংস্কাৰৰ মৰণ ঘটিব। লগে লগে পুৰোহিতবোৰৰ পেটৰ ভাত মুঠিৰ কাৰণে ভাবিবলগীয়া হ'ব। গাৰ্ণচে দ্বীপটো তাৰ গিৰ্জা, হাবি-বন আৰু অলস জীৱন লৈ যেনে আছে, তেনেভাৱেই থাওক—এয়েই আছিল পুৰোহিত-

বোৰৰ কামনা। জাহাজ চলা, বেহা-বেপাৰৰ সুচল হোৱা—এইবোৰ পুৰোহিতবোৰে ভাল নেপাইছিল। কিন্তু ল্যাটিয়াৰিৰ মনৰ গতি আছিল সম্পূৰ্ণ ওলোটা। গতিকে, ল্যাটিয়াৰিয়ে তেওঁলোকক গা এৰা দিয়েই ফুৰিছিল।

❋

দেৰুছেতৰ কথা ইমান পৰ একোৱেই কোৱা নাই। এই ঘাট-মাউৰী ছোৱালীজনীক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল, দদায়েক ল্যাটিয়াৰিয়ে।

ল্যাটিয়াৰিৰ অৱস্থা ভাল। এনে অৱস্থাত দেৰুছেতে দুখ-কষ্ট পোৱাৰ প্ৰশ্নই নুঠে। দেৰুছেতে কেতিয়াবা মুখ ওন্দোলাবলগীয়া হ'লে ল্যাটিয়াৰিৰ দুখৰ সীমা নেথাকে। ফুলৰ নিচিনা সুন্দৰ এই ছোৱালীটিয়ে হাঁহি হাঁহিয়েই দিনবোৰ কটাই দিয়ে। হৰিণা পোৱালীৰ দৰে ঢপলিয়াই ফুৰোঁতেই যায়। আপোন-পৰ ভাব মনৰ ভিতৰত সোমোৱা নাই। বাটেদি যোৱা মানুহবোৰক সিএৱাৰি জোকাই ধেমালি কৰে। কালি কি কৰিছিল, আজি মনত নেথাকে। সংসাৰৰ কোনো চিন্তাই মনটো খেলিমেলি লগাই যোৱা নাই। বৰফৰ ওপৰত দাগ দিলে সি যেনেকৈ অকণো স্থায়ী নহয়, দেৰুছেতৰ মনতো তেনেকৈ কোনো দুখৰ দাগ চিৰকলীয়া হৈ ৰৈ নেযায়। হাঁহি আৰু অভিমানেৰে সৈতে ল্যাটিয়াৰিৰ শূন্য জীৱনটো পৰিপূৰ্ণ কৰি ৰাখিছে, দেৰুছেতে।

গিলিয়াট ইমান ওচৰতে থকা সত্ত্বেও কোনোদিন তেওঁৰ লগত কথা পাতি পোৱা নাই। দূৰৰ পৰাই তেওঁক চিনিছিল, পূৰতী তৰাক যেনেকৈ মানুহে চিনি পায়।

গিলিয়াটেও কোনো ছোৱালীৰ লগত প্ৰয়োজন নেথাকিলে কথা

নেপাতিছিল। বাটেদি যাওঁতে কোনো ছোৱালী অহা দেখিলে ফালিৰ কাটি গৈ লাজতে জোপোহাৰ আঁৰত লুকাইছিল।

বৰদিনৰ দিনাখন তেওঁ দেৰুছেতক দেখিছিল দূৰৰ পৰাই। আৰু দেখিছিল বৰফৰ ওপৰত তেওঁৰ নামটো ধুনীয়াকৈ লিখা। সেইদিনা ৰাতি ভাল টোপনি নাহিল। বৰফৰ ওপৰত কোমল আঙুলিৰে লিখা দৃশ্যটো সপোনতে জিলমিলাই আছিল। বহুতো ধুনীয়া সপোন দেখিছিল, সেই ৰাতি!

কিন্তু চেণ্ট পিটাৰ্চৰ গিৰ্জাৰ বাটত ভুলতো আৰু কোনোদিন ভৰি দিয়া নাছিল! কিজানি বৰফৰ ওপৰত লিখা সেই নামটো এতিয়াও মচ যোৱা নাই! বাটৰুৱা মানুহবোৰে চাগৈ থমকি সেই লিখাখিনি পঢ়ি চায়। ছিঃ! তেওঁলোকে কি যে ভাবিছে।

বাটেদি যাবৰ পৰত, ওচৰে-পাঁজৰে কোনো মানুহৰ চিন নেদেখিলে, গিলিয়াট 'ব্ৰাভে'ৰ সমুখত অলপ ৰৈছিল। কিজানি কাৰোবাৰ গানৰ দৰে লগা ধুনীয়া মাতটো শুনিবলৈ পায়েই!

গহীন নিশাৰ আন্ধাৰ ফালি গিলিয়াটে হাতত বাঁহীটো লৈ পাহাৰৰ শিখৰত উঠেগৈ। তেওঁৰ সেই বাঁহীৰ সুৰটো উটি যায়, সাগৰৰ ওপৰেদি বহুত দূৰলৈ কঁপি কঁপি। সুৰটো সিঁচৰতি হৈ পৰে চাৰিওপিনে বতাহৰ খুব মাজে মাজে। করুণ সেই সুৰটো, বতাহৰ সোঁ-সোঁৱনিৰ দৰে কান্দোনমিহলি সুৰ সেইটো—সকলো যেন হেৰাই গৈছে।

●

কথাটো আগতেই বিয়পি পৰিছিল যে, এজন নতুন পুৰোহিত আহিছে চেণ্ট পিটাৰ্চৰ গিৰ্জাটোলৈ। এই নতুন পুৰোহিতজনৰ নাম মঁচিয়ে এবিনেজাৰ কদ্ৰে।

দুখীয়াৰ ঘৰত তেওঁৰ জন্ম। বয়সত ডেকা হ'লেও তেওঁ জ্ঞানত বুঢ়া আছিল। দুখীয়া হ'লেও ভৱিষ্যৎ তেওঁৰ উজ্জ্বল আছিল। তেওঁৰ এগৰাকী বৰ ধনী মোমায়েক আছিল। কদ্রেই আছিল তেওঁৰ মোমায়েকৰ বিশাল সম্পত্তিৰ উত্তৰাধিকাৰী। গতিকে মোমায়েকৰ মৃত্যুৰ পিচত তেওঁ যে এগৰাকী ধনী মানুহ হৈ পৰিব, এই কথা সকলোৰে জানিছিল।

গাৰ্ণচেৰ প্ৰাকৃতিক সৌন্দৰ্য কদ্রেৰ খুব ভাল লাগিছিল। পাহাৰৰ ওপৰৰ পৰা সাগৰৰ নীল সৌন্দৰ্যটো অপূৰ্ব যেন লাগিছিল। এই নতুন দ্বীপটোলৈ আহি প্ৰায়েই তেওঁ অকলশৰে পাহাৰৰ ওপৰত ঘূৰি ফুৰিছিল।

প্ৰথম যিদিনা তেওঁ গাৰ্ণচেৰ মাটিত ভৰি দিলেহি, সেইদিনা বিয়লি তেওঁ পাহাৰৰ ওপৰত ফুৰিবলৈ গৈছিল। এডোখৰ ঠাই তেওঁৰ খুব ভাল লাগিল। তেওঁ তাতে বহি পৰিল। ভাগৰত লালকাল দি থকা কাৰণে, হাত-ভৰি মেলি শুই পৰিল। মুগ্ধ দৃষ্টিৰে চাই ৰ'ল, অসীম নীল সাগৰখনৰ পিনে।

গিলিয়াটে তেওঁৰ নাওখন লৈ সন্ধিয়া মাছ ধৰিবলৈ ওলাই গৈছিল। সন্ধ্যাৰ পিচতে ধুমুহা মাৰিবলৈ আৰম্ভ কৰিলে। লগে লগে সাগৰেও ফেনে ফোটোকাৰে গৰজি উঠিল। কিন্তু গিলিয়াট আছিল সুনিপুণ নাৱৰীয়া। এই সাগৰ আৰু পাহাৰৰ লগত তেওঁৰ কিমান দিনৰে নিবিড় পৰিচয়! ঢৌৰ লগে লগে ব'ঠা মাৰি পাৰৰ পিনে নাও এৰি দিলে। মাজে মাজে দুই এটা পাহাৰৰ শিখৰ-বিলাক চকুত পৰে। অলপ পিচতে সিও বোধকৰোঁ পানীৰ তল যাব।

গিলিয়াটে দেখিলে, এজন মানুহ পৰি আছে ওখ পাহাৰটোৰ শিখৰত। গিলিয়াটে বহুত কষ্ট কৰি নাওখন সেইপিনে এৰি দিলে। মানুহজন গভীৰ টোপনিত লালকাল। গিৰ্জাৰ পুৰোহিতৰ নিচিনা সাজ পিন্ধা, মানুহজন ধুনীয়া এজন ডেকা। গিলিয়াটৰ মৰম লাগি গ'ল তেওঁলৈ।

গিলিয়াটে মাত দিলে ঃ কোন আপুনি ? আপুনি দেখা নাই নে সাগৰে কেনেকৈ ফেনে-ফোটোকাৰে গৰজি উঠিছে ?

মানুহজনে টোপনিৰ পৰা খক্-মক্‌কৈ সাৰ পাই চকু দুটা মোহাৰি উত্তৰ দিলে ঃ মই ভাবিছিলোঁ—

ঃ কিন্তু ভাবিবৰ সময় নাই। আৰু মাত্ৰ দহ মিনিট আছে, এই ঠাইডোখৰ পানীৰ তল যাব

ঃ সঁচা নেকি ? ফুৰিবলৈ আহি ঠাইডোখৰ খুব ভাল লাগি গ'ল—

ঃ আৰু লগে লগে টোপনি আহিল, চকু দুটা মুদিলতে— গিলিয়াটে হাঁহি হাঁহি ক'লে।

ঃ নহয়, মই বিদেশী মানুহ। আজিয়েই প্ৰথম আহিছোঁ। তাতে ভাগৰ লাগিছিল।

ঃ বাৰু। এইবাৰ যদি প্ৰাণ বচাব খোজে লৰালৰিকৈ মোৰ নাৱলৈ আহক।

গিলিয়াটে নাওখন এৰি দিলে ঢৌৰ ছন্দে ছন্দে। বলিয়া সাগৰৰ বুকু ফালি সৰু নাওখনি পাৰৰ পিনে যাবলৈ লাগিল।

নাও আহি লাগিলহি পাৰত। ডেকাজনে নাৱৰ পৰা নামি গিলিয়াটক এটা সোণৰ মুদ্ৰা দিব খুজিলে। গিলিয়াটে হাতখন কোচাই আনিলে।

ঃ তুমি মোৰ জীৱন ৰক্ষা কৰিছা।

ঃ হয়তো কৰিছোঁ।

ঃ মই মোৰ জীৱনৰ কাৰণে চিৰদিন তোমাৰ ওচৰত ঋণী হৈ ৰ'লোঁ।

ঃ অকণো নহয়। মই মাত্ৰ মোৰ কৰ্তব্য পালন কৰিছোঁ।

হাঁহি হাঁহি উত্তৰ দিলে গিলিয়াটে।

ঃ তুমি এই গিৰ্জাৰ শিষ্য নোহোৱা জানো ?

ঃ উঁ-হোঁ ; নহয়।

ঃ তেন্তে কোন গির্জাৰ ?

আচৰিত হৈ সুধিলে, নতুনকৈ অহা ডেকাজনে।

গিলিয়াটে সোঁ হাতখন তুলি ধৰিলে আকাশৰ পিনে,

ঃ সৌ দূৰৰ গির্জাটোৰ, যিটো গির্জাই আৱৰি ৰাখিছে গোটেই মানুহ জাতিটোকে।

অলপ দূৰ যোৱাৰ পিচত ডেকাজন আকৌ উলটি আহিল।

ঃ এই পুথিখন মই তোমাক উপহাৰ দিব খুজিছোঁ।

গিলিয়াটে হাতখন আগবঢ়াই দিলে।

সৰু পুথিখন আছিল, পৱিত্ৰ বাইবেল।

গার্ণচে দ্বীপটো আছিল সৰু। মানুহৰ বসতিও বৰ সেৰেঙা। গতিকে প্ৰত্যেকেই প্ৰত্যেকক চিনি পাইছিল। অৱশ্যে গিলিয়াটৰ কথা সুকীয়া। তেওঁ সদায় মানুহৰ পৰা আঁতৰিয়েই ফুৰিছিল।

কিন্তু ক্লিউবাঁক চিনি নোপোৱা মানুহ গার্ণচেত নাছিল। তাৰ কাৰণ, প্ৰত্যেক শুকুৰবাৰে তেওঁ জাহাজ চলাই আনে গার্ণচে দ্বীপলৈ। বাহিৰৰ পৃথিৱীৰ সৈতে একমাত্ৰ সম্পৰ্ক ৰখাৰ উপায় এই জাহাজখন। ল'ৰা-বুঢ়া সকলো সেইদিনা দৌৰি আহে বন্দৰলৈ। জাহাজৰ পৰা নামি পৰে, শ শ অচিন মুখ। আৰু ল্যাটিয়াৰিৰ জাহাজ 'লা দুৰাঁদ'ৰ কাপ্তান ক্লিউবাঁ। দুৰাঁদ জাহাজখন যেন গোটেই দ্বীপটোৰ সকলো মানুহৰে আপোন।

তাৰ উপৰিও ক্লিউবাঁ মানুহজন আছিল, বৰ অমায়িক। দেখাত কটিয়া আছিল যদিও, গাত তেওঁৰ এটা যাঁড়-গৰুৰ জোখাই বল আছিল। গম্ভীৰ তেওঁৰ প্ৰকৃতি, দুৰ্জয় তেওঁৰ সাহস। জাহাজ চলোৱাত তেওঁৰ দৰে পাকৈত মানুহ খুব কম আছিল।

ক্লিউবাঁই বিয়া-বাৰু কৰোৱা নাছিল। তেওঁৰ চৰিত্ৰ আছিল, স্ফটিকৰ ধাৰ যেন। বাটত পৰি থকা বেজী এটা বুটলি ল'বলৈয়ো তেওঁ দহবাৰ ভাবিছিল। জানোচা বেজীটো হেৰুওৱা মানুহজনে ঘুৰাই নেপায়। কোনোবা দোকানীয়ে ভুলতে যদি এটা ফুটা কড়িও বেচি দিয়ে, তিনি বছৰ পিচত হ'লেও তেওঁ সেইটো ঘুৰাই নিদিয়াকৈ নেথাকে।

ক্লিউবাঁৰ কাম আছিল, প্ৰতি মঙ্গলবাৰে গাৰ্ণচেৰ পৰা জাহাজখন সন্ধিয়া চেণ্ট মেলো পোৱাবগৈ লাগে। দুদিন তাতে থপি জাহাজত নতুন মাল-বস্তু বোজাই কৰি ল'ব লাগে। আৰু শুকুৰবাৰে গাৰ্ণচেৰ উপকূললৈ ঘূৰি আহে। ৰেটানে টকা-পইচা লৈ পলোৱাৰ পিচৰ প্ৰতি সপ্তাহে ক্লিউবাঁই এই কাম নিয়মিতৰূপে কৰি আহিছে।

চেণ্ট মেলো এটা ফৰাচী বন্দৰ। ইয়াত বহু দেশৰ মানুহ-দুনুহ আৰু জাহাজ গোট খাইছিল। ক্লিউবাঁ থাকে "জ' আবাৰ্জ" হোটেলত। ইয়াতে লা দুৰাঁদ জাহাজৰ অফিচ ঘৰটোও আছিল। এই হোটেলতে ক্লিউবাঁৰ লগত নানা দেশৰ নানা চৰিত্ৰৰ মানুহৰ লগত পৰিচয় ঘটিছিল। সকলোৱে ক্লিউবাঁক সাধু পুৰুষ বুলিয়েই শ্ৰদ্ধা কৰিছিল।

জুৰ্লাৰ লগত এই হোটেলতে তেওঁৰ চিনাকি হৈছিল। জুৰ্লাঁৰৰ সাংঘাতিক ধৰণৰ মানুহ আছিল। চোৰাং বেপাৰীবোৰক তেওঁৰ জাহাজত ইখন দেশৰ পৰা সিখন দেশলৈ অনা-নিয়া কৰি তেওঁ খুব চহকী হৈ পৰিছিল। তাৰোপৰি, পলৰীয়া আচামীবোৰক পলাই ফুৰাত সহায় কৰিছিল। যদি কোনো পলৰীয়া আচামীয়ে ফ্ৰান্স এৰি ইংলণ্ড নাইবা আমেৰিকালৈ যোৱাৰ কথা ভাবে, তেন্তে কাপ্তান জুৰ্লাঁ আছিল তেওঁৰ একমাত্ৰ আশাৰ থলি।



দূৰবীণৰ সহায়ত ক্লিউবাঁই মানুহ দুজনক চিনিব পাৰিলে।

সেইদিনা সন্ধিয়াৰ আগতেই লা দ্ৰ্যবাঁদ আহি চেণ্ট মেলো পালেহি। ক্লিউবাঁই জাহাজৰ ওপৰত থিয় হৈ লক্ষ্য কৰিছিল, জাহাজখন কোনফালেদি বন্দৰত চপাব। এনেতে তেওঁৰ চকুত পৰিল, সাগৰৰ পাৰত দুটা পাহাৰৰ মাজৰ এডোখৰ নিজান ঠাইত দুজন মানুহে কিবা গোপন কথা-বতৰা পাতিছে। মানুহ দুজন ৰিণিকি-ৰিণিকিহে দেখি। দুৰবীণৰ সহায়ত ক্লিউবাঁই মানুহ দুজনক চিনিব পাৰিলে। তাৰে এজন জ্যুলাঁ। জ্যুলাঁৰ জাহাজ-খন দুই চাৰিদিনৰ ভিতৰতে বন্দৰ এৰাৰ কথা আছে। আনজন পলৰীয়া ৰেটান।

সেই ৰাতিয়েই ক্লিউবাঁ এজন বন্দুকৰ মিস্ত্রিৰ দোকানত গোপনে সোমাল। ক্লিউবাঁই মিস্ত্রিজনক সুধিলে, এটা ৰিভলভাৰ দিব পাৰিব নেকি? ৰিভলভাৰটোত একেলগে পাঁচ ছটা গুলী খাজি ল'ব পৰা হ'ব লাগিব। মিস্ত্রিজনে দুদিন পিচত আনি দিবলৈ গাত ল'লে কাৰণ, এই নতুন অস্ত্র নিজে তৈয়াৰী কৰিবলৈ তেওঁ তেতিয়াও শিকাই নাছিল।

পিচৰ শুকুৰবাৰে ক্লিউবাঁ আকৌ বন্দুকৰ মিস্ত্রিজনক বিচাৰি ওলাল।

মিস্ত্রিজনে তেওঁক এটা ছটা গুলী খাজি ল'ব পৰা ৰিভলভাৰ দিলে। আৰু প্ৰত্যেকটো ঘৰৰ কাৰণে এক লুইকৈ বিচাৰিলে। ক্লিউবাঁই হাঁহিমুখে জেপৰ পৰা ছটা লুই উলিয়াই দি, ইউৰোপত তেতিয়া বিচাৰি নোপোৱা বস্তুটো কিনি ল'লে।

সিঁচদিনা সন্ধিয়া চেণ্ট মেলো বন্দৰৰ পৰা অলপ আঁতৰতে থকা সাগৰৰ পাৰৰ এটা পাহাৰৰ পৰা এজন পহৰীয়াই দূৰবীণটো লৈ কিবা এটা লক্ষ্য কৰিছিল। ইয়াৰ পৰাই চোৰাং বেপাৰী-বিলাকে সিহঁতৰ বয়-বস্তুবোৰ লুকুৱাই চালান দিয়ে। সেই কামৰ কাৰণে সুকীয়া এবিধ নাও আছে। এই নাওবোৰৰ সহায়ত জাহাজৰ পৰা গোপনে চোৰাং বস্তুবোৰ নমাই আনি এই পাহাৰৰ মাজত লুকুৱাই ৰাখে। তাৰপিচত এইবিলাক বস্তু ভিন ভিন ঠাইলৈ যায়গৈ। কেতিয়াবা এই ঠাইখিনিৰ পৰাই পলৰীয়া আচামী আৰু চোৰাং বেপাৰীয়ে বিদেশলৈ যোৱা জাহাজত গোপনে উঠি পলাই সাৰে। গতিকে, ঠাইখিনিৰ ওপৰত পহৰীয়াবোৰে চোকা দৃষ্টি ৰাখে।

পহৰীয়াটোৱে দেখিছিল, এখন নাও আগবাঢ়ি আহিছে। ক্ৰমে নাওখন স্পষ্ট হৈ আহিছে।

এনে সময়ত হাতত সাৰে ভৰিত সাৰে এজন মানুহ তেওঁৰ পাছপিনৰ পৰা আগুৱাই আহিল। শিলৰ ওপৰত গজা কোমল শেলুৱৈৰ কাৰণে তেওঁৰ ভৰিৰ শব্দ কাণত পৰা নাছিল। নখেৰে মাটি লেখি লেখি খোজ দিছে। পহৰীয়াজনে এক মনেৰে তেতিয়াও নাওখন লক্ষ্য কৰি আছে। আৰু অলপ কাষ চাপি আহিলেই—

হঠাৎ তেওঁ পহৰীয়াজনক মাৰিলে এটা খুন্দা। হতভগীয়া পহৰীয়াজন হামখুৰি খাই পৰিল সমুখৰ পিনে। কোনো শব্দ এটাও শুনা নগ'ল। মানুহজনে অলপ আগবাঢ়ি তলৰ পানীৰ পিনে চালে। ওঁ-হো, পহৰীয়াজন আৰু উঠিব নোৱাৰে। মূৰটো হয়তো পানীৰ তলৰ শিলত থেকেচা খাই চুৰমাৰ হৈ গ'ল।

তলৰ ফেনীল পানীখিনিৰ যেন এটা ৰঙা দাগ চকুত পৰিল।

নাওখন আগবাঢ়ি অহাৰ লগে লগে মনটো আনন্দত নাচি উঠিল।

ঃ বেটান!

মানুহজন উচাপ খাই উঠিল। কোনে তেওঁক নাম কাঢ়ি মাতিলে?

উভতি চাই দেখে, এজন মানুহ। তেওঁৰ হাতত এটা চকচকীয়া ৰিভলভাৰ।

ঃ মই ক্লিউবাঁ। এইমাত্র তুমি এজন মানুহক হত্যা কৰিছা।

ঃ মোক তুমি চিনি পোৱা?

ঃ তুমিও সম্ভৱ মোক চিনি পোৱা!

উত্তৰ দিলে ক্লিউবাঁই। সাগৰৰ বুকুত তৌতিয়া ব'ঠাৰ শব্দ স্পষ্টকৈ শুনা গৈছে।

ঃ কামটো তুমি বেচ খৰধৰকৈ কৰি পেলালা, দেখিছোঁ।

ঃ মই তোমাৰ কি কৰিব পাৰোঁ? কোৱা ক্লিউবাঁ!

ঃ বিশেষ একো নহয়। কেনে আছা তুমি?

ঃ ভালেই। তুমি?

আগবাঢ়ি আহিল বেটান।

ক্লিউবাঁই ৰিভলভাৰটো টোঁৱাই ধৰিলে,

ঃ বেটান! তোমাৰ আৰু মোৰ মাজত মাত্র দহ পোন্ধৰ খোজৰ ব্যৱধান। ইমানেই ৰিভলভাৰৰ কাৰণে সুবিধাজনক তুমি আৰু এখোজো আগ নেবাঢ়িবা। বাঢ়িলেই, জানিছাই নহয়—

ঃ বাৰু! তুমি মোক লৈ কি কৰিব খুজিছা?

ঃ একো নাই। মাথোন দুই চাৰিষাৰ কথা পাতিম। এইমাত্র তুমি পহৰীয়াজনক মাৰি পেলালা।

: অলপ আগতে সেই কথাটো কৈ বীৰত্ব প্ৰকাশ কৰিছাই দেখোন।

ঃ ভাল কথা। তেতিয়া ভাবিছিলোঁ, তেওঁ এজন অকলশৰীয়া পহৰীয়া। এতিয়া জানিব পাৰিছোঁ, তেওঁ এজাক পহৰীয়াৰ মাজৰ এজন। তেওঁৰ নম্বৰ আছিল, ৬১৯। মানুহজনৰ ঘৈণীয়েক আৰু চাৰি পাঁচোটা ল'ৰা-ছোৱালী আছে।

ঃ থাকিব পাৰে। সংসাৰী মানুহৰ ল'ৰা-তিৰোতা থাকেই।

ঃ অৱশ্যে।

ঃ তুমি এতিয়া 'জ' আবাজ'' হোটেলতে থাকা নেকি ?

ঃ ওঁ।

ঃ ক্লিউবাঁ! মই তোমাক জানোঁ।

ঃ কেনেকৈ ?

ঃ তুমি মোক জানা বুলিয়েই।

কথাৰ লগে লগে ৰেটান এখোজ আগবাঢ়ি আহিল।

ঃ য'ত আছিলা, তালৈ যোৱা তুমি। জানা নহয়, এইটো কি যন্ত্ৰ ?

ৰেটান আকৌ পিছুৱাই গ'ল।

ঃ মাজে মাজে হয়তো ভাবিছা ৰিভলভাৰত গুলী নাই। যদি সেয়ে হয়, তথাপি তোমাৰ ৰক্ষা নাই। ওচৰতে ৬১৮ নম্বৰ পহৰীয়া আছে। বাঁওপিনে কাষ্টম-ষ্টেছন। তাত সাতজন সশস্ত্ৰ চিপাহী আছে। অকণমান ইঙ্গিত পালেই সিহঁত চকুৰ পচাৰতে জাঙুল খাই পৰিবহি। মাত্ৰ এটা সৰু শব্দ কৰিলেই হ'ল।

নাওখন ক্ৰমে আগুৱাই আহিল।

ঃ শুনা ৰেটান! জুব্লাঁৰ লগত তোমাৰ এহেজাৰ ফ্ৰাঁৰ বন্দোৱস্ত হৈছে। তেওঁ তোমাক লুকুৱাই লৈ যাব। জুব্লাঁক তুমি পাঁচ শ ফ্ৰাঁ আগধন দি ৰাখিছা। মই সকলো জানো।

ৰেটান খঙৰ জুইত আপোনাআপুনি পুৰিবলৈ ধৰিলে। কিন্তু উপায় নাই।

ঃ তোমাৰ ছদ্মবেশটো কিন্তু বৰ ধুনীয়া হৈছিল। এই দীঘল কোট আৰু এই সাজেৰে তোমাক কোনে চিনে? চচমা পিন্ধিবলৈ হয়তো পাহৰি গ'লা! কিন্তু দাড়ি-গোঁফেৰে ভোবোকাৰ হৈ তুমিতো ৰেটান হৈ থকা নাই। তেনেই বেলেগ মানুহ। কি কৈছিলোঁ মই? ওঁ—তোমাৰ চোলাৰ জেপৰ এপিনে ঘড়ীটো আছে।

ৰেটানে অবাক হৈ ক্লিউবাঁৰ পিনে চালে।

ঃ আৰু আনপিনে আছে, লোহাৰে তৈয়াৰী এটা টেমা। তাৰ ঢাকনিত স্প্ৰিং খুউৱা আছে। সেইটো এজন পুৰণি নাবিকৰ ধপাতৰ টেমা। এতিয়া ভাল ল'বাৰ দৰে সেইটো মোক দিয়া।

ঃ ডকাইতি কৰিব খুজিছা তুমি?

ঃ মনৰ সিমান সাহ থাকিলে, চিঞৰি সহায় বিচাৰা। পহৰীয়াবোৰে তোমাক নিশ্চয় সহায় কৰিব।

ঃ ক্লিউবাঁ! এটা বন্দোবস্ত হওক বাৰু। মই তোমাক আধাখিনি দিওঁ।

ঃ ৰেটান! তুমি মোক ডকাইত বুলি ভাবিছা নেকি? মোক গোটেইখিনি লাগিব।

ৰেটান থিয় হৈ ৰ'ল, বজ্ৰপাত পৰা মানুহৰ দৰে।

ঃ তুমি এটা ভুল কৰিছা। ডকাইত তুমিহে। মই নহয়। শুনা ৰেটান! আজিৰ পৰা দহ বছৰ আগেয়ে এদিন তুমি ৰাতিৰ আন্ধাৰত গাৰ্ণচেৰ পৰা পলাইছিলা। এটা বাকচ আছিল, তোমাৰ লগত। তাৰ ভিতৰত ৫০,০০০ ফ্ৰাঁ আছিল তোমাৰ নিজৰ; আৰু ৫০,০০০ ফ্ৰাঁ আছিল ল্যাটিয়াৰিৰ। তেওঁৰ ধনখিনি হৈ আহিবলৈ তুমি পাহৰিলা। সেই ৫০,০০০ ফ্ৰাঁৰ দহ বছৰৰ মূৰত সুদে-মূলে ৮০,৬৬৬ ফ্ৰাঁ হৈছে। কালি তুমি ভিনচেণ্ট ষ্ট্ৰীটৰ

ৰেকুছেতৰ ওচৰলৈ গৈছিলা, ইংলণ্ডৰ নোট সলাই আনিবলৈ! তোমাৰ সোঁ জেপৰ টেমাটোত ৭৫,০০০ ফ্ৰাঁৰ সলনি ৩,০০০ পাউণ্ডৰ নোট আছে। এতিয়া সেইখিনি মোক দিয়া। কাইলৈ পুৱাই মই ল্যাটিয়াৰিক তেওঁৰ হেৰোৱা ধন শোধাই দিমগৈ। ৰেটান! মই জানো, তুমি ফ্ৰান্স এৰি যাবলৈ ওলাইছা। নাওখন আগুৱাই আহিছে, তোমাক লৈ যাবলৈ। ওচৰ পায়হিহে লাগে। এতিয়া তুমি যোৱা নে নোযোৱা, সকলো তোমাৰ ওপৰতে নিৰ্ভৰ কৰিছে। দিয়া, টেমাটো।

ৰেটানে জেপৰ পৰা লোহাৰ টেমাটো উলিয়াই ক্লিউবাঁৰ পিনে দলিয়াই দিলে। ক্লিউবাঁই বাঁও হাতেৰে মাটিৰ পৰা বুটলি ল'লে!

ঃ তুমি এইবাৰ ঘূৰি থিয় হোৱা।

ঃ ৰেটান ঘূৰিল।

ক্লিউবাঁই টেমাটোৰ ঢাকনিখন খুলি ততাতৈয়াকৈ নোটখিনি গণিলে। এখন দহ পাউণ্ডৰ নোট বেচি আহিছে। এটা শামুকৰ খোলা বুটলি লৈ, তাৰ ভিতৰত নোটখন ভৰাই ক'লে,

ঃ এইবাৰ ঘূৰিব পাৰা তুমি।

ৰেটান ঘূৰিল।

ঃ তিনি হেজাৰ পাউণ্ড পালেই মই সন্তুষ্ট। দহ পাউণ্ড তোমাক ঘূৰাই দিছোঁ।

ক্লিউবাঁই শামুকটো ৰেটানৰ ওচৰলৈ দলিয়াই দিলে।

ৰেটান তেতিয়া খঙত কঁপিবলৈ ধৰিছে। ভৰিৰে গচকি সেই শামুকটো সাগৰৰ পিনে পেলাই দিলে।

ঃ যি ইচ্ছা তাকে কৰিব পাৰা তুমি। তুমি ধনী মানুহ হোৱা বুলি জানিব পাৰি সুখী হ'লোঁ, ৰেটান!

ব'ঠাৰ চপচপনি সম্পূৰ্ণ স্পষ্ট হৈ আহিল।

নাওখন আহি পাহাৰৰ গাত লাগিলহি।

ঃ তলত তোমাৰ কাৰণে নাওখন বৈ আছে। বিদায়, ৰেটান!

ৰেটান তললৈ নামি গ'ল। ক্লিউবাঁই চাই ৰ'ল, ৰেটান যোৱাৰ পিনে।

আকৌ ব'ঠাৰ শব্দ শুনা গ'ল। ৰেটানে উঠাৰ লগে লগে নাওখন এৰি দিলে।

নাওখন অলপ দূৰ যোৱাৰ পিচত ৰেটানে হাতৰ মুঠি দেখুৱাই ক'বলৈ লাগিল।

ঃ ক্লিউবাঁ। তুমি এটা নৰ-পিশাচ। মই ল্যাটিয়াৰিলৈ চিঠি লিখি সকলো জনাম। এই নাৱত এজন নাবিক আছে। তেওঁ গাৰ্ণচেলৈ যাব। তেওঁ মোৰ কথাৰ সাক্ষী ৰ'ল। তেও ক'ব যে আজি সন্ধিয়া তোমাৰ হাতত তিনি হেজাৰ পাউণ্ড দিছোঁ, ল্যাটিয়াৰিক দিবৰ কাৰণে।

সেইদিনা সন্ধ্যা বহুত বেলিকৈ ক্লিউবাঁ তেওঁৰ জাহাজলৈ উলটিল।

আহিবৰ সময়ত তেওঁ এখন মদৰ দোকানত সোমাইছিল। এবটল দামী মদ কোটৰ জেপত লুকুৱাই ল'লে।

'জ' আবাজ'' হোটেলত সেই ৰাতি আন এখন জাহাজৰ বুঢ়া কাপ্তান এজনৰ লগত ক্লিউবাঁৰ কথা-বতৰা হ'ল। কথাৰ মাজতে তেওঁ ক্লিউবাঁক সুধিলে।

ঃ কাপ্তান ক্লিউবাঁ! কালি পুৱাই আপোনাৰ জাহাজ এৰিব নেকি?

ঃ নিশ্চয়। জাহাজ নিৰ্দিষ্ট সময়ত এৰিবই লাগিব।

ঃ দ্ব্যৰাঁদৰ কাপ্তান মই হোৱা হ'লে কিন্তু নোৰিলোহেঁতেন। আপুনি এটা কথা মন কৰিছে নে, কুকুৰৰ নোমবোৰ কেনেকৈ সেমেকি উঠিছে। যোৱা দুৰাতি ধৰি চৰাইবোৰ কেনেকৈ বলিয়াৰ দৰে লাইট-হাউচৰ চাৰিওপিনে পাক দি ফুৰিছে! এই লক্ষণবোৰ খুব বেয়া। মৌ-মাখিবোৰ চাকত খামোচা মাৰি ধৰি আছে। পোক-পৰুৱাবোৰ গাঁতৰ পৰা ওলাই আহিছে। কাইলৈ পুৱা নিশ্চয় খুব বেচি কুঁৱলী পৰিব। বতাহ-ধুমুহাতকৈ সাগৰৰ মাজৰ ডাঠ কুঁৱলীলৈহে মোৰ বেচি ভয় লাগে।

●

সিচদিনা শুকুৰবাৰ। ক্লিউবাঁই লা দ্ব্যৰাঁদ এৰি দিলে, গাৰ্ণচেৰ পিনে।

বতৰ তেতিয়া ভালেই আছিল।

জাহাজৰ গুৰিয়ালজনৰ নাম আছিল, টেংগ্ৰুইল। তেওঁ মদৰ গোন্ধ পালে ৰ'বই নোৱাৰিছিল। জাহাজৰ ভিতৰত এডোখৰ গোপন ঠাইত তেওঁ দুই-চাৰি বটল মদ সদায় লুকুৱাই ৰাখিছিল। কেতিয়াবা পা-পইচা নেথাকিলে, হামিয়াই-হিকতিয়াই কটাব-লগীয়াত পৰে। সেইদিনাও তেওঁৰ হাত সুদা। হঠাৎ কিবা মন গ'লত, তেওঁ বটল লুকুৱাই ৰখা ঠাইডোখৰৰ পিনে গ'ল। একো যে নাই, জানেই। তথাপি কিজানি ভুলতে ৰাখিছিলেই।

কি আচৰিত! তাত দেখোন এটা দামী মদৰ বটল আছে! কোনে থ'লে সেইটো? যেয়ে হওক লাগিলে, টেংগ্ৰুইলে গোটেইটো বটল শেষ কৰি পেলালে। এতিয়াহে গাত বল পোৱা যেন লাগিল। কিন্তু চকু দুটা টানি টানি নিয়া যেন লাগিল!

বতাহ ক্ৰমে শান্ত হৈ আহিল। দূৰত এখন বগা আৱৰণীৰ দৰে বস্তু চকুত পৰিল। এজন যাত্ৰীয়ে ক'লে,

ঃ বোধহয় বৰষুণ দিছে।

ঃ কুঁৱলীও হ'ব পাৰে।

ঃ আন এজনে ক'লে।

ক্ৰমে তেওঁলোক ঘৰ-সংসাৰৰ কথা-বতৰাৰ মাজত ডুবি পৰিল।

হঠাৎ কোনোবা এজনৰ চিঞৰৰ শুনা গ'ল,

ঃ মদপী! মদ খাই ধেমালি কৰিছ?

সকলোৰে সেই পিনে চকু দিলে। কাপ্তান ক্লিউবাঁ খঙত কঁপিবলৈ লাগিছে। টেংগ্ৰুইলে লাজতে তলমূৰ কৰিলে।

কুঁৱলী ক্ৰমে আৰু ঘন হৈ আহিল। জাহাজখন ঘন কুঁৱলী ফালি আগবাঢ়ি যাবলৈ ধৰিলে। বেলিটো কুঁৱলীৰ মাজেদি ঘোলা ৰঙা ৰঙৰ কাঁহী এখনৰ দৰে লাগিছিল।

যাত্ৰীবোৰে ভয়ত চাৰিওপিনে চাবলৈ ধৰিলে। চিমনিৰ ধোঁৱা কুঁৱলীৰ হেঁচাত বেঁচি দূৰলৈ আৰু ওপৰলৈ যাব পৰা নাই। জাহাজৰ চাৰিওপিনে পাক খাই বিয়পি পৰিছে। সকলোৰে কাপ্তানৰ ওচৰলৈ যাবলৈ ধৰিলে।

ঃ মই ভাবি পোৱা নাই, কি হ'ব! এতিয়াই ইমান কুঁৱলী। ৰাতি যে কি হ'ব, ভাবিবই নোৱাৰি।

ক্লিউবাঁই জাহাজৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ব্যস্ততা দেখুৱাবলৈ ধৰিলে।

অলপ পিচতে সন্ধিয়াৰ আন্ধাৰে গোটেইখন ঢাকি ধৰিলে। আকাশ আৰু পৃথিৱী সাগৰৰ বুকুত যেন মিলি গ'ল!

এজন যাত্ৰীয়ে ঈশ্বৰৰ নাম জপিছিল। তাকে দেখি আন এজনে ইতিকিং কৰি ক'লে,

ঃ তোমাৰ ঈশ্বৰৰ জানো সময় ওলাব, আমাৰ এই বিপদৰ সময়ত মূৰ ঘমাবলৈ? যিমানহে তেওঁৰ কাম, আজৰি ক'ত?

পাছফালে পৰা কোনোবা এজনে তেওঁৰ কান্ধৰ ওপৰত এখন হাত ৰাখিলে। যাত্ৰীজনে ঘূৰি চাই দেখিলে, কাপ্তান ক্লিউবাঁৰ হাত।

ঃ এনে কথা নক'বা! মনত ৰাখিবা এনে বিপদৰ সময়ত ভগৱানেই একমাত্ৰ আশ্ৰয়। তেৱেঁই সকলো। আমি কেৱল নিমিত্ত মাত্ৰ।

যাত্ৰীবোৰে কোৱা-কুই কৰিবলৈ ধৰিলে,—কাপ্তান ক্লিউবাঁ কেৱল বিচক্ষণ নাবিকেই নহয় ; ধৰ্মভীৰুও।

বৰষুণ দিয়া নাছিল। তথাপি সকলোৰে কাপোৰ-কানি তিতি গ'ল কুঁৱলীৰ কণিকাবোৰ লাগি। জাহাজ ক'ত লাগিব কোনে জানে?

হঠাৎ আকৌ কাপ্তানৰ সিংহ-গৰ্জন শুনা গ'ল

ঃ জীৱন লৈ জুৱা খেলিবলৈ আহিছ? ভৰিত শিকলি লগাই বান্ধি ৰাখিম। বলিয়ালি কৰিবলৈ আহিছ, কুকুৰ দূৰ হ এতিয়াই!

ক্লিউবাঁই নিজেই গুৰি ধৰিবলৈ ল'লে।

সকলোৰে মুখলৈ পানী আহিল।

সন্ধ্যাৰ লগে লগে কুঁৱলীৰ তলৰ তৰপটো চিকুণ হৈ আহিল।

ঃ কাপ্তান! কাপ্তান!

এজন যাত্ৰী উধাতু খাই দৌৰি আহিল। তেওঁৰ হাতত এটা দূৰবীণ।

ঃ কি?

ঃ হেনৰেজৰ পিনে জাহাজ চলিছে কিয়?

ঃ ওঁ-হো। কোনে কৈছে? আপোনাৰ ভুল হৈছে নিশ্চয়।

ঃ নহয়। মই সঠিক কৈছোঁ।

ঃ অসম্ভৱ।

ঃ পাহাৰটো মই নিজ চকুৰে দেখিছোঁ।

ঃ কোন পিনে ?

ঃ সমুখৰ পিনে।

ঃ ক'তা ? সেয়া দেখোন সাগৰৰ পানী।

অথচ জাহাজ সেই পাহাৰৰ পিনেই আগুৱাই গৈছে।

ঃ কাপ্তান ! জাহাজ এতিয়াই ঘূৰাওক। সময় আছে !

ঃ কিয় ?

ঃ হেনৰেজৰ পাহাৰ দেখিবলৈ পাইছোঁ, সমুখৰ পিনে।

ঃ আপুনি পাহাৰ বুলি ভবা বস্তুটো হয়তো ডাঠ কুঁৱলী।

ঃ ওঁ-হো। হেনৰেজ। মই স্পষ্টকৈ দেখিছোঁ।

মানুহজনৰ কপালত ঘামৰ টোপাল বিৰিঙি উঠিল।

মাত্র কেই মিনিট মান। কাৰো মুখত মাত নাই।

বৰ বেচি জোৰেৰে খুন্দা মৰা নাছিল। দ্যুবাঁদৰ তলিত ডুব গৈ থকা পাহাৰৰ শিখৰত খুন্দা লগাৰ লগে লগেই যাত্ৰীবোৰ চিঁঞৰি উঠিল।

ঃ আগেয়েই কৈছিলোঁ নহয়, হেনৰেজ।

জাহাজৰ ভিতৰত কান্দোনৰ বোল উঠিল।

ঃ সৰ্বনাশ কাৰো নহয়। ভয় নাই। সকলোৱে ধৈৰ্য ধৰা। ক্লিউবাঁই চিঞৰি উঠিছে।

ঃ জাহাজৰ ভিতৰত পানী সোমাইছে। এতিয়াই বয়লাৰৰ জুই নুমাই যাব।

নিগ্রো নাবিক এজনে বাতৰি দিলেহি।

জীৱন-মৃত্যুৰ সন্ধিক্ষণ সেইটো। চাৰিওপিনে ডাঠ আন্ধাৰ আৰু কুঁৱলীৰ বাহিৰে আন একো চকুত নপৰে। সমুখত মৰণ আৰু ৰাতিৰ ক'লা ছাঁ।

ঃ কাপ্তান ! জাহাজৰ তলি ফুটি হুৰহুৰাই পানী সোমাইছে। দহ মিনিটৰ ভিতৰত দ্যুবাঁদ ডুবি যাব।

জাহাজৰ পৰীক্ষকজনে ক'লেহি।

যাত্ৰীবিলাকে ভয়ত দৌৰাদৌৰি কৰিবলৈ ধৰিলে।

ঃ ইঞ্জিনটো আৰু কিমান পৰ চলিব ?

ক্লিউবাঁই সুধিলে চালকক।

. খুব বেচি পাঁচ-ছয় মিনিট।

ঃ মই গুৰি ধৰিছিলোঁ। গতিকে আপুনি পাহাৰটো দেখিছিল। ক'ব পাৰে নে হেনৰেজৰ কোন পিনে আমি আছোঁ ?

ক্লিউবাঁই দুৰবীণ থকা যাত্ৰীজনক সুধিলে।

ঃ আমি বোধকৰোঁ উপকূলৰ পৰা এমাইল দূৰত আছোঁ।

জাহাজখন কোনোমতেই বচাব নোৱাৰি। অলপ পিচতে ইঞ্জিন বন্ধ হৈ যাব, মৃত্যুৰ আগতে কলিজাৰ কঁপনিটো যেনেকৈ বন্ধ হৈ যায়। ঠিক তেনেকৈ। উপায় নাই! ক্লিউবাঁই আদেশ দিলে,

ঃ নাও নমাই দিয়া।

নাবিকবিলাকে দৌৰি গৈ নাওখন পানীত নমাই দিলেগৈ। যাত্ৰীবোৰে ধৰাধৰি কৰি সহায় কৰাত লাগিল। দীঘল নাওখন পানীত ওপঙি উঠিল।

দুৱাঁদৰ চকা বন্ধ হৈ গ'ল। ধোঁৱাবোৰ কমি আহিল। জুইৰ পকা আঙঠাবোৰ ক'লা এঙাৰ হৈ পৰিল।

যাত্ৰীবিলাক জখলাইদি লৰালৰিকৈ নামি নাৱত উঠিবলৈ লাগিল। এজন যাত্ৰী মূৰ্ছা গ'ল, তেওঁকো ধৰাধৰি কৰি সকলোৱে নাৱত তুলিলেগৈ!

জাহাজৰ নাবিকবিলাকে যাত্ৰীবোৰৰ প্ৰাণ-ৰক্ষাৰ কাৰণে উঠি-পৰি লাগিল। ক্লিউবাঁই লৰালৰিকৈ কিছুমান মূল্যৱান কাকত-পত্ৰ আনি দুজন নাবিকৰ হাতত দি ক'লে,

ঃ নাৱত উঠাগৈ, যোৱা।

তেওঁলোকে কাপ্তানৰ আদেশ পালন কৰিলে।

জাহাজত তেতিয়া ক্লিউবাঁৰ বাহিৰে কোনো নাই।

ঃ নাও এৰি দিয়া।

ঃ কাপ্তান! তুমি?

ঃ মই ইয়াতেই থাকিম।

নাৱৰ যাত্ৰীবিলাকে ইজনে সিজনৰ মুখলৈ চোৱা-চুই কৰিলে।

ঃ কাপ্তান! তুমিও আমাৰ লগতে আহাঁ।

ঃ উঁ-হো! মই ইয়াতেই থাকিম।

ঃ কাপ্তান! জাহাজ হেনৱেজত খুন্দা খাইছে। সাঁতুৰি এমাইল গ'লে পাবা, প্লেনমণ্ট। নাৱেৰে গ'লে তুমি বকুইনত নামিব পাৰিবা, দুমাইল যোৱাৰ পাচতে। ডাঙৰ ডাঙৰ ঢৌ উঠিছে। কুঁৱলীও মাৰিছে। বকুইন পাবলৈ আমাৰ দুঘণ্টা লাগিব। জাহাজত থাকিলে তুমি মৰিবা, কাপ্তান। তুমিও ব'লা আমাৰ লগত।

থোকাথুকি মাতেৰে এজন নাবিকে ক'লে।

আন এজন যাত্ৰীয়ে ক'লে,

ঃ নাওখনত আমি তেৰজন আছোঁ। বৰ অমঙ্গলীয়া কথা এইটো। তুমিও আহাঁ।

ইঞ্জিন-চালকে ক'লে,

ঃ মোৰ দোষতে এনে বিপদ ঘটিল, কাপ্তান! তোমাৰ দোষত নহয়। তোমাক এনেকৈ এৰি যোৱাটো মহাপাপ হ'ব।

ক্লিউবাঁই গম্ভীৰ কণ্ঠেৰে উত্তৰ দিলে,

ঃ মই এই জাহাজ নেৰোঁ। তোমালোকে মিছা অনুৰোধ নকৰিবা। আজি ৰাতিৰ ধুমুহাত জাহাজখন টুকুৰাটুকুৰ হৈ যাব। মই ভালকৈয়ে জানোঁ। কিন্তু জাহাজ ডুবিলে, কাপ্তানো মৰিল বুলি ধৰি ল'ব লাগে। মানুহে ক'ব নোৱাৰিব, শেষলৈকে মই মোৰ কৰ্তব্য কৰা নাই বুলি।

ক্লিউবাঁই হাতযোৰ কৰি অনুৰোধ কৰাত নাও এৰি দিয়া হ'ল।

আমেৰিকান যাত্ৰীজনে হুমুনিয়াহ পেলালে,

ঃ কাপ্তান ক্লিউবাঁৰ দৰে মহাপুৰুষক আমি হেৰুৱালোঁ।

গাৰ্ণচেৰ যাত্ৰীজনে ক'লে,

ঃ এই অঞ্চলত ইমান ডাঙৰ নাবিক আৰু নাই।

কুঁৱলীৰ মাজত নাওখন নেদেখা হৈ পৰিল।

আৰু একো দেখা নেযায়।

ব'ঠাৰ চপচপনিটো ক্ৰমে মহাসাগৰৰ বহল বুকুত মাৰ গ'ল।

ক্লিউবাঁ অকলশৰে সেই গভীৰ মহাসাগৰৰ মাজত।

সফলতাৰ হাঁহি চকুৱে-মুখে বিৰিঙি উঠিল। ইমান দিনৰ মুৰত তেওঁৰ সপোন সাৰ্থক হ'ল।

উপকূলৰ পৰা তেওঁ মাত্ৰ এমাইল দূৰত। লগত আছে, ৭৫,০০০ ফ্ৰাঁ। ইমান কৌশল কৰি আন কোনেও বোধকৰোঁ জাহাজ ডুবাব পৰা নাছিল। সন্মান, গৌৰৱ একোৱেই তেওঁ নেহেৰুৱালে। অথচ, এই সকলোৰে ওপৰত ভৰ দিয়েই এটা খেলা খেলি চালে। মুৰ্খবিলাকে তেওঁৰ পাচত হয়তো কৰিব জয়গান!

ক্লিউবাঁৰ মুখত তৃপ্তিৰ প্ৰশান্ত হাঁহি ফুটি উঠিল।

ইয়াৰ পাচত কি কৰিব?

এতিয়াও কোনো স্থিৰ সিদ্ধান্তলৈ অহা নাই।

এমাইল দূৰ সাঁতুৰি গৈ পাহাৰত উঠিব লাগিব। তাৰ পাচত? তাৰ পাচত সেই পাহাৰৰ গাত ওলোমাই ৰখা আছে, এডাল জৰী। সেই জৰীত ধৰি ওপৰলৈ উঠি যাব লাগিব। তাৰে এটা ভূতে-পোৱা ঘৰত মোনাটো আছে। মোনাটোৰ ভিতৰত খোৱা বস্তু আৰু শুকান কাপোৰ-কানি আছে।

নিৰ্দিষ্ট সময়ত জাহাজ আহিব। সেই জাহাজত উঠি অজান দেশলৈ গুচি যাবগৈ। নতুন জীৱন আৰম্ভ কৰিব, ক্লিউবাঁই।

পথৰ ভিক্ষাৰী ক্লিউবাঁ হ'ব, সাধুকথাৰ ৰাজ-কোঁৱৰ। ক্লিউবাঁ নামটো আৰু তেওঁ নেৰাখে। তাৰ পাচত—

কিন্তু, এয়া হেনৰেজ নহয়!

কুঁৱলীৰ ফাঁকেদি ক্লিউবাঁই দেখিলে, ডোভাৰ্চৰ 'মেন' পাহাৰ সৰ্বনাশ। পাৰৰ উপকূল যে ইয়াৰ পৰা কমেও দহ মাইল দূৰ।

গভীৰ কুঁৱলীৰ মাজত বাট ভুল কৰি ক্লিউবাঁ এনে এটা পাহাৰ পালেহি, য'ত উঠাটো কষ্টকৰেই নহয়—এনেকি, অসম্ভৱো!

চাৰিওপিনে নিস্তব্ধ।

অদৃষ্টৰ পৰিহাস এয়া! ক'ত হেনৰেজ, আৰু ক'ত ডোভাৰ্চ ক্লিউবাঁৰ অন্তৰ কঁপি উঠিল ভয়ত।

নাৱৰ যাত্ৰীবোৰেও এই ভীষণ ঠাইডোখৰ চিনিব পৰা নাছিল সিহঁতো হয়তো উপকূল নেপাবগৈ। ৰাতি হয়তো বতাহ-ধুমুহ মাৰিব। নাওখনো হয়তো বুৰিব। জাহাজ ডুবাৰ বাতৰি আৰ ক্লিউবাঁৰ ত্যাগৰ কাহিনী হয়তো পাৰৰ মানুহবোৰে শুনিয়ে নেপাব। ল্যাটিয়াৰিয়েও হয়তো কোনো কালেই নুশুনিব।

ক্লিউবাঁৰ উজ্জ্বল ভৱিষ্যতৰ স্বপ্নটো নিমিষতে সাগৰৰ ঢৌ মচি নিলে। সমুখত হিম-শীতল ঠাণ্ডা আৰু মৃত্যু। হাত ৭৫,০০০, ফ্ৰাঁ থকা সত্ত্বেও, গোটেইখিনিৰ বিনিময়তো এমু ভাতৰ যোগাৰ নহ'ব। পাট-পলুৱে যেনেকৈ নিজে গোঁথা জাল সোমাই নিজৰ মৃত্যু নিজেই মাতি আনে, ক্লিউবাঁয়ো তেনে ষড়যন্ত্ৰ-জালত সোমাই নিজেই নিজৰ মৃত্যুক মাতি আনিলে।

বতাহ জোৰেৰে বলিবলৈ ধৰিলে। কুঁৱলীবোৰ বতাহ ৰোকোচাত উঠি উঠি বহুত দূৰলৈ ওপঙি গ'লগৈ! আকৌ চকু

পৰিল, সাগৰ—নীল সাগৰ। জাহাজৰ ভিতৰৰ পৰা গৰু-ছাগলীৰ আৰ্তনাদ কাণত পৰিলহি।

ৰাতিও গভীৰ হৈ আহিল। হয়তো ধুমুহা মাৰিব।

দূৰত এখন বগা পাল দেখা গ'ল। কোনোবা জাহাজ আগুৱাই আহিছে। ক্লিউবাঁই এবাৰ ভগৱানৰ নাম ল'লে।

দুয়োবাঁদৰ ডুবি অহা মুধচৰ ওপৰত উঠি জাহাজখনৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ মিছা চেষ্টা কৰি চালে। প্ৰাণটাকি চিঞৰিলে। কোনেও নুশুনিলে।

ক্লিউবাঁই ভাবিলে, কোনো ৰকমে পাহাৰটোৰ ওপৰত উঠি সংকেত দিলে হয়তো জাহাজৰ পৰা এখন সৰু নাও পঠাই দিব।

'মেন' পাহাৰটো বেচি দূৰত নহয়। আৰু এক মুহূৰ্তও পলম কৰা নচলে।

চোলা-কাপোৰ সোলোকাই কংকালত পেটিডাল মাৰি ললে। লোহাৰ টেমাটো আছে নে নাই, ভালকৈ চাই ল'লে। তাৰ পাচত সাগৰৰ ফেনীল পানীখিনিলৈ জাপ মাৰি দিলে। একেবাৰে তলি পালেগৈ। ক্ৰমে ওপৰলৈ উঠি আহিল।

ঠিক সেই মুহূৰ্ততে কিহবাই যেন তেওঁৰ ভৰি দুটা সাৱটি ধৰিলে। কিহবাই যেন নিজৰ পিনে তেওঁক টানি নিলে। ক্লিউবাঁই সেই আকৰ্ষণৰ পৰা নিজকে মুকলি কৰিবলৈ চেষ্টা কৰিলে। কিন্তু, কি গভীৰ সেই আকৰ্ষণ!

●

ওচৰ-চুবুৰীয়া গোটেইবোৰ, আনকি বাটৰ মানুহো আহি ল্যাটিয়াৰিৰ ঘৰৰ আগত ভিৰ দি সন্ধি নোপোৱা কৰিলেহি।

গিলিয়াটৰ কপালতো চিন্তাৰ ক'লা ৰেখা ফুটি উঠিল। এই মানুহবোৰ ইমান দৰে অহা-যোৱা কৰিছে কেলৈ? কাৰ কি হ'ল, ল্যাটিয়াৰিৰ ঘৰত?

ঃ হয়, হয়! মানুহৰ ভাগ্যত এনেকুৱাও ঘটে!

ঃ শেষ বয়সত বুঢ়াৰ কপালত এইখনহে লিখা আছিল!

গিলিয়াটৰ ইচ্ছা হ'ল তেওঁ কাৰোবাক সুধিব—কথাটো নো কি? কিন্তু তেওঁ যে কাৰো লগত কথা পাতি পোৱা নাই। চুবুৰীৰ আটাইবোৰ মাথোন চকুৰ চিনাকি! আটাইৰে চকুত তেওঁ এটা যাদুকৰ।

গিলিয়াট দৌৰি 'ব্ৰাভে' পালেগৈ। দেৰুছেতৰ একো অমঙ্গল ঘটা নাই তো?

মুকলি-দুৱাৰেদি মানুহৰ সোঁত দেখি গিলিয়াটৰ বুকুখন কঁপি উঠিল, কিবা এক অজান আশংকাত।

ঃ কথাটো কি?

ঃ কিয়, তুমি নেজানা?

ঃ ওঁ হো!

ঃ লা দ্যুৰাঁদ ডুবিল।

গিলিয়াট ভিতৰলৈ সোমাই গ'ল। দেখিলে, দেৰুছেতে কান্দিছে। ল্যাটিয়াৰিৰ মুখখন শেঁতা হৈ পৰিছে।

দেৱালত ভেঁজা দি বহি আছে, ল্যাটিয়াৰি; তেওঁৰ নাবিকৰ টুপীটো চকুৰ চেলাউৰিলৈকে ওলমি আছে। মুখত কথা নাই। শিলত কাটি থোৱা মূৰ্তিৰ দৰে অচল, ল্যাটিয়াৰি।

তেওঁৰ জীৱনটো যেন ভাঙি শেষ হৈ গৈছে। দ্যুৰাঁদৰ লগে লগে যেন তেওঁৰ জীৱনৰ চাকিগছিও নুমাই গৈছে। দ্যুৰাঁদেই আছিল সেই চাকিৰ শলিতা। তেওঁৰ জীৱনৰ প্ৰেৰণা। এতিয়া আৰু কি লৈ জীৱনটো কটাব? জীৱনৰ অৱলম্বন নোহোৱাকৈ কেনেকৈ কটাব? হাড়ক মাটি, তেজক পানী কৰি দ্যুৰাঁদক গঢ়ি তুলিছিল।

সেই দেহলাওটো নহ'লে, জীৱনটো থাকিব ক'ত ? কিহেৰে আকৌ গঢ়ি তুলিব জীৱন ?

দলে দলে মানুহ আহি ল্যাটিয়াৰিক টুকুৰা-টুকুৰ খবৰ দি গৈছেহি। আৰু এষাৰ সান্ত্বনা-বাণী।

আগদিনাখন সন্ধিয়া কুঁৱলীৰ মাজত ডোভাৰ্চৰ 'মেন' পাহাৰত ঠেকা খাই দুয্ৰাঁদ ধ্বংস হৈছে। ক্লিউবাঁ জাহাজৰ পৰা নেনামিল। বাকী সকলো নামিল। ৰাতি ধুমুহা মাৰি নাওখনো ডুবালে-হেঁতেন। এনেতে, এখন জাহাজ আহি পোৱাতহে ৰক্ষা। যাত্ৰীবোৰ আহি পুনৰ চেণ্ট পিটাৰ্চ বন্দৰত নামিলহি। তেওঁলোকে কৈছে, ক্লিউবাঁৰ গাত কোনো দোষ নাই। কিন্তু ক্লিউবাঁই নিজৰ মহত্ত্বৰ পৰিচয় দিলে।

আৰু এখন জাহাজ আহিছিল ডোভাৰ্চেদি। তাৰ কাপ্তানে ক'লে, দুয্ৰাঁদ পাহাৰত লাগি আছে। তাৰ ভিতৰৰ পৰা গৰু-ছাগলীৰ চিঞৰ শুনি জাহাজ কাষ চপাইছিল। পুনৰালৈকে বৈছিল। কিন্তু মানুহৰ কোনো চিন-চাব নেপালে। সাগৰৰ ঢৌৱে কোবাই নি দুয্ৰাঁদক পাহাৰৰ দুটা শৃঙ্গৰ ওপৰত তুলি ওলোমাই ৰাখিছে। জাহাজৰ খোলাটো ভাঙি এৰাই গ'ল। কিন্তু ইঞ্জিনটো একো নোহোৱাকৈ তাতে লাগি আছে।

দুয্ৰাঁদৰ ইঞ্জিনটোৱেই হৈছে, আচল বস্তু। তাৰ দাম ৩০,০০০ ফ্ৰাঁ। ইঞ্জিনটো উদ্ধাৰ কৰিব পাৰিলে, ল্যাটিয়াৰিয়ে আকৌ হয়তো জীৱনত খোপনি ল'ব পাৰিব। কিন্তু সেই দুৰ্গম ঠাইৰ পৰা কোনে আনিবগৈ ইঞ্জিনটো ? থিয় হ'বলৈ অকণমান ঠাই নাই য'ত, তাত উঠি প্ৰাণ লৈ জুৱা খেলিবলৈ যাব কোন ? ল্যাটিয়াৰিয়ে আপোন মনে কৈ উঠিল,

ঃ তাৰ পৰা ইঞ্জিনটো আনিবগৈ পাৰে, এনেমানুহ কি এই পৃথিৱীত নাই ? যদি থাকে—

ঃ মই তেওঁক বিয়া কৰিবলৈ সন্মত আছোঁ।

দেৰ্ছেতে চিঞৰি উঠিল।

কোনোবা এজনে মানুহৰ ভিৰ ঠেলি আগুৱাই আহিল,

ঃ তুমি তেওঁক বিয়া কৰাবা! ঠিক কৈছা তো?

মানুহজন গিলিয়াট।

সকলোৰে চকু পৰিল, তেওঁৰ ওপৰত। ল্যাটিয়াৰি থিয় দি উঠিল। তেওঁৰ চকু দুটা উজ্জ্বল হৈ উঠিল। টুপীটো মজিয়াত পেলাই দি ক'লে,

ঃ হয়, দেৰুছেৎ তেওঁৰেই হ'ব। ঈশ্বৰৰ নামত শপত খাই কৈছোঁ।

●

গোটেই দিনটো ল্যাটিয়াৰিয়ে পানী এটুপিও খোৱা নাছিল। জীৱনত ইমান ডাঙৰ আঘাত পোৱা নাছিল। বিয়লিৰ পিনে দুজন অচিন পুৰোহিত আহি ওলালহি। এজন বুঢ়া, এজন ডেকা। ডেকাজনকে এদিন গিলিয়াটে মৃত্যুৰ মুখৰ পৰা সৰুৱাইছিল।

পুৰোহিত দুজন ঘৰৰ ভিতৰত সোমাল। বুঢ়া পুৰোহিত-জনৰ নামৰ পাচত দীঘলীয়া উপাধিৰ নেগুৰ আছিল। তেওঁৰ জেপত এখন বাইবেল। মানুহজনৰ মুখত এটা অহংকাৰৰ ভাৱ ফুটি উঠিছিল। তেৱেঁই যেন স্বৰ্গৰ দুৱৰী। ডেকাজন দেখাত বৰ ধুনীয়া। চকুৰ চেলাউৰিত বিনয়ৰ চেকা লাগি আছিল।

ল্যাটিয়াৰিয়ে দুয়োকো নমস্কাৰ জনালে। বুঢ়া পুৰোহিত হিৰোডে ল্যাটিয়াৰিৰ লগত ন-কৈ অহা ডেকাজনক চিনাকি কৰি দিলে। এবিনেজাৰ কড্ৰে। দেৰুছেতৰ লগতো চিনাকি হ'ল।

হিৰোডে ল্যাটিয়াৰিক দীঘলীয়া সান্ত্বনা-বাণী শুনালে। ল্যাটিয়াৰিয়ে মাথোন কাণত আঙুলিৰে ঠিলাহে নিদিলে!

ঃ উপদেশ মানুহে দিয়ে। কিন্তু অনুপ্ৰেৰণা আহে ভগৱানৰ পৰাহে।

হিৰোডে কথাৰ মাজতে ক'লে।

ল্যাটিয়াৰিয়ে তেওঁৰ কথালৈ কাণ নিদিলে। এটা হুমুনিয়াহ কাঢ়ি আপোনমনে কৈ উঠিল,

ঃ এৰা! মোৰেই দোষ।

ঃ কিহৰ দোষ ?

ঃ ময়েই দুৰাঁদিক শুকুৰবাৰেই আনিবলৈ কৈছিলোঁ।

ঃ এইবোৰ কু-সংস্কাৰক মনত ঠাই নিদিব। আনবোৰ বাৰৰ দৰে শুকুৰবাৰো এটা দিনহে। কেলৈ, জৰ্জ ৱাছিংটন জানো শুকুৰবাৰে জন্ম হোৱা নাছিল ? কলম্বচেও আমেৰিকা আৱিষ্কাৰ কৰিছিল শুকুৰবাৰেই দেখোন।

দুয়ো যাবলৈ উঠিল। ল্যাটিয়াৰিয়ে তেওঁলোকৰ পিনে কেৰাহি-কৈয়ো নেচালে। বুঢ়া পুৰোহিতে যোৱাৰ আগতে বাইবেলখন খুলি দুটামান পিঠি সুৰ লগাই গালে।

ডেকা পুৰোহিতে দেৰুছেতৰ কৰুণ চকুযুৰিলৈ চালে। দেৰুছেতেও চালে, তেওঁৰ নম্ৰ চকুযুৰিলৈ।

ল্যাটিয়াৰিৰ এনে দুৰ্ঘটনা ঘটাত গিলিয়াটৰ মনটো বেয়া লাগি গ'ল। পুৱাৰ পোহৰৰ দৰে দেৰুছেতৰ ধুনীয়া মুখখন বেজাৰে ঢাকি ধৰিছে। চকুলো টুকি টুকি চকু দুটা ৰঙা হৈ পৰিছে! গিলিয়াটৰ চকু দুটাও চলচলীয়া হৈ উঠিল।

গিলিয়াটৰ কাণত তেতিয়াও বাজি আছে, ল্যাটিয়াৰি আৰু দেৰুছেতৰ কথা।

ঃ তাৰ পৰা ইঞ্জিনটো আনিবগৈ পাৰে, এনে মানুহ কি এই পৃথিৱীত নাই? যদি থাকে—

ঃ মই তেওঁক বিয়া কৰিবলৈ সন্মত আছোঁ।

ঃ হয়, দেৰুছেৎ তেওঁৰেই হ'ব। ঈশ্বৰৰ নামত শপত খাই কৈছোঁ।

সপোনৰ দৰে লাগিল, গিলিয়াটৰ। তেওঁৰ বীৰ-হৃদয় নাচি উঠিল।

গিলিয়াটে নাও মেলি দিলে অকূল সাগৰত।

সাগৰৰ বুকুত ৰঙা সূৰুযে দেখা দিলে। ৰঙা সূৰুয আৰু নীল সাগৰ। সাগৰৰ মাজত দুটা স্তম্ভৰ দৰে ডোভাৰ্ৰ শৃঙ্গ দুটা। তাৰ জোঙা আগ দুটাত ওলমি আছে, লা দুৰাঁদ। ঠিক যেন এখন ওলমি থকা সেতু!

দুৰাঁদৰ ভগ্নাৱশেষ দেখি তেওঁৰ দুখ লাগিল। চকুপানী ওলাল। সাগৰৰ এই নীল পানীবোৰৰ লগত কিমান দিনৰে পৰিচয় দুৰাঁদৰ!

অকলশৰে গিলিয়াটে কি কৰিব? থিয় হ'বলৈয়ো ঠাই অকণ নাই। মূৰটো গুজিব ক'ত! সহায় বুলিবলৈয়ো দ্বিতীয় প্ৰাণী এটাও নাই। তথাপি কৰিবই যে লাগিব। জীৱন পণ কৰি তেওঁ এই কামত নামিছে। গিলিয়াটে সুঁৱৰিলে, পৃথিৱীত কিমান ডাঙৰ ডাঙৰ কাম মানুহে কৰিছে!

সৰুৰে পৰা পাহাৰ বগাই আহিছে। তথাপি ইমান থিয় পাহাৰত উঠা জানো সম্ভৱ হ'ব? জৰীৰ সহায় নহ'লে সহজ নহ'ব। ঢৌৱে হয়তো একমুহূৰ্ততে পখালি লৈ যাব। সাগৰৰ এটা সাধাৰণ ঢৌৰ আগত মানুহ কিমান তুচ্ছ!

গিলিয়াটে দ্ব্যৰাঁদৰ ভগা-ছিগা অংশবোৰ গোটাই কামত লাগি গ'ল। গোটেই দিনটো কাম কৰে। পাহাৰৰ শিখৰৰ পৰা বেলিমাৰ নেদেখালৈ তেওঁ কাম কৰিয়েই থাকে। দূৰৰ সাগৰৰ পিনে চায় মাজে মাজে। এটা মধুৰ সপোনৰ মাজত গোটেই মানুহটো ডুবি পৰে।

কিন্তু সপোন হঠাৎ ভাগি নগ'লেও ভাগি যাবৰ উপক্রম হ'ল। খোৱা বস্তুৰ মোনাটো এদিন ধুমুহাৰ কোবত পাহাৰৰ তলিত পৰিলগৈ। সেইটো বুটলি অনাৰ আগতেই সাগৰৰ চৰাই কিছুমানে খাই শেষ কৰিলে।

আহাৰৰ চিন্তাই গিলিয়াটক জুৰুলা কৰি তুলিলে। দিনে-ৰাতিয়ে অবিৰাম কাম কৰি গিলিয়াটৰ হাড় লেখিব পৰা অৱস্থা হ'লহি। দাড়িয়ে-চুলিয়ে মুখখন ভোবোকাৰ হৈ পৰিল। গাত মাত্র এটা কামিজ। সিও ফাটিল। শুদা ভৰিৰে খোজ কাঢ়ি কাঢ়ি ভৰি ফাটি তেজ ওলাবলৈ ধৰিলে। ভৰিৰ জোতাৰ এপাট বতাহে উৰাই নিলে, আনপাট সাগৰৰ ঢৌৱে উটাই নিলে। শিলত ঘহনি খাই আৰু হাতুৰী-বটালিৰ আঘাত লাগি গাৰ বহুত ঠাইত ঘা লাগিল। সেই ঘা-বোৰত যেতিয়া সাগৰৰ লুণীয়া পানী লাগে, তেতিয়া যন্ত্রণাত ছটফটাবলৈ ধৰে। অথচ, জিৰণিৰ কাৰণে এক মুহূৰ্তও সময় নাই।

ভোকত পেটু-নাড়ী ছিগি যাব খুজিলে সাগৰলৈ গৈ মাছ আৰু কেঁকোৰা ধৰি আনে। মাছবোৰ কেঁচাই খায়। কেঁকোৰাবোৰ জুইত পুৰি খায়। তাৰ পাচত, পানী বিচাৰি ওলাই যায়। শিলৰ ফাটে ফাটে বৰষুণৰ পানী জমা হৈ থাকে। তাৰে কেই আঁজলিমান খাই পিয়াহ পলুৱায়। চৰাই-চিৰিকতিবোৰেও একেলগে পানী খায়। গিলিয়াটক দেখিলে সিহঁতে মুঠেই ভয়

নকৰে। কাৰণ, তেওঁৰ মানুহৰ চেহেৰা হেৰাল। গিলিয়াটক সিহঁতে আন কিবা নিৰীহ জন্তু বুলিয়েই ভাবে।

মাজে মাজে গিলিয়াটৰ জ্বৰ উঠে। তেতিয়া শিলৰ ওপৰত গজা শেলুৰৈ আৰু বন-লতা খায়েই ভোক গুচায়। সেইবোৰে হয়তো দৰবৰ কামো কৰে।

গিলিয়াটে প্ৰায়েই পানীত নামি কাম কৰিব লাগে। গতিকে, কাপোৰ-কানি সদায় তিতি থাকে। বৰষুণৰ পানী ভাপ হৈ উৰি যাবলৈ নেপায়েই; সাগৰৰ পানী শুকাবলৈয়ো সময় নাই। গতিকে, তিতা কাপোৰ পিন্ধিও পিয়াহত মৰিব লাগে। সাগৰৰ পানী একাঁজলি খালে পিয়াহ বাঢ়িহে যায়।

গিলিয়াটৰ সমল আছিল—হাতুৰী, বটালি আৰু কৰত। কামৰ সুচল লগাবলৈ পাহাৰৰ শিখৰতে এখন কমাৰ-শাল গঢ়ি ল'লে।

গিলিয়াটৰ কাম প্ৰায় শেষ হৈ আহিল। ইঞ্জিনটো নমাই জাহাজৰ নতুন খোলাটোত বহুৱাই অঁতালে। এতিয়া কেৱল জোৱাৰ আহিলে, পানীত নমাব পাৰিলেই শেষ হৈ যায়।

কিন্তু জোৱাৰ নাহিল, আহিল ধুমুহা। প্ৰাণৰ ভয় জানিও তেওঁ পাহাৰটোকে খামুচি ৰ'ল। কুৰি ঘণ্টা ধৰি সেই ধুমুহা আৰু বজ্ৰপাত চলিল। আকাশ যেন ভাগি ছিগি খহি আহিছিল পৃথিৱীলৈ। গিলিয়াট অচেতন হৈ পৰিল। তাৰ পাচত চাৰিও-পিনে শান্ত হ'ল। নীল আকাশ ফালি সূৰ্যৰ পোহৰ সিঁচৰিত হৈ পৰিল।

ৰ'দৰ উত্তাপত গিলিয়াটৰ চেতনা উলটি আহিল।

গিলিয়াট ভোকত অস্থিৰ হৈ পৰিল। হাতত কটাৰীখন লৈ ওলাই পৰিল। পাহাৰৰ দাঁতিয়ে দাঁতিয়ে পানীৰ কাষে কাষে কেঁকোৰা খেদি ফুৰিবলৈ ধৰিলে। কেঁকোৰাবোৰেও ভৰিৰ খোজৰ শব্দ পোৱাৰ লগে লগে পানীত নামি দিয়ে। ভোকত

আতুৰ হৈ থকা গিলিয়াটৰ হেঁপাহটোও বাঢ়ি যায়। কেঁকোৰা ধৰিবই লাগিব। লতা-পাতত ধৰি ওলমি ওলমি এটা সুৰঙ্গৰ মুখত ৰ'লহি। পুৱতীৰ ক্ষীণ পোহৰত সুৰঙ্গৰ ভিতৰেদি যাবলৈ ধৰিলে। তলাতল ঘৰৰ দৰে সুৰঙ্গটোৰ ভিতৰত বহুত বাট। এবুকু পানীত খোজ কাঢ়ি কাঢ়ি এটা বিৰাট গুহাৰ সমুখত ৰ'লহি। গুহাটোৰ ভিতৰখন আন্ধাৰ। অলপ সময় থকাৰ পাচত চকুৱে মণিব পৰা হ'ল। চাৰিওপিনে গছ-লতাই ঘেৰি ৰাখিছে। গিলিয়াটৰ মনটোত যেন কিহবাৰ ৰঙীন বোল লাগিল। মূৰৰ ওপৰত শিলৰ মুধচ আৰু ভৰিৰ তলত নীল পানীৰ মজিয়া। দুয়ো কাষে দুশাৰী শিলৰ খুটা। সাগৰৰ ঢৌৰ কোব লাগি শিলবোৰ ফাটি ফাটি খুটাৰ দৰে হৈ পৰিছে। কোনোবা মানুহে বটালিৰে কাটি উলিওৱা যেন লাগে। খুটাবোৰত কজলা ৰঙৰ শেলুৱৈ। ঠায়ে ঠায়ে তাৰ ওপৰত যেন তেজৰঙী বোল পৰিছে। গিলিয়াট এখোজ আগুৱাই গ'ল আন্ধাৰ গুহাটোৰ পিনে।

হঠাৎ যেন কিবা এটাই বাহু দুটা খামুচি ধৰিলে। ভয়ত গিলিয়াটৰ গাটো জিকাৰ খাই উঠিল।

কিবা এটা খহটা আৰু চেপেটা ধৰণৰ, হিম-শীতল আৰু বিজলুৱা সাপৰ দৰে জন্তুৱে গোটেই বাহুটো মেৰাই ধৰিলে। লাহে লাহে বস্তুটোৱে বুকুখনৰ পিনে বগাই গৈ সাৰটি ধৰিলে। অলপ সময়ৰ ভিতৰতে সাপটোৱে গোটেই মানুহটো খুব জোৰেৰে মেৰাই ধৰিলে। অদ্ভুত আকৰ্ষণ তাৰ! কাষলতিৰ তলত কিবা এটাই বেজীয়ে বিন্ধাদি বিন্ধিবলৈ ধৰিলে।

গিলিয়াটৰ প্ৰাণ-পখীটো যেন অলপ সময়ৰ ভিতৰতে উৰি যাবগৈ। শৰীৰৰ সকলো শক্তি শেষ হৈ অহাৰ দৰে লাগিল। বাওঁহাতেৰে ইমান সময় দাঁতেৰে কামুৰি থকা কটাৰীখন টানি ল'লে। গিলিয়াটে তাৰ নাগপাশৰ পৰা মুকলি হ'বলৈ বিফল চেষ্টা এটা কৰি চালে। তাৰ বান্ধটো আৰু দৃঢ় হৈ আহিল। কি

সেই বস্তুটো ! চামৰাৰ দৰে কোমল অথচ তীখাৰ দৰে কঠিন আৰু ৰাতিৰ দৰে চেঁচা ।


গুহাৰ ভিতৰৰ পৰা আৰু এডাল দীঘল, জোঙা বস্তু ওলাই আহিল। ঠিক যেন সাপৰ জিভাহে লিকলিকাই আছে। গিলিয়াটৰ উলঙ্গ দেহাটো যেন সি চেলেকিহে চালে। হঠাৎ সি আৰু দীঘল হৈ পৰিল। সিও গিলিয়াটক সাৱটি ধৰিলে। ভীষণ এটা যন্ত্ৰণাত গিলিয়াটৰ গাৰ মঙহবোৰ কোঁচ খাই আহিল। হাড়বোৰ যেন গুৰি হৈ যাব অলপ পাচতে। অসংখ্য বেজী মাংসৰ ভিতৰত সোমাই পৰিল। সেইবোৰে যেন শৰীৰৰ তেজ শুহি আনিছে !

আৰু এটা দীঘল বস্তুৱে তেওঁৰ কঁকালটো মেৰিয়াই ধৰিলে। গিলিয়াটৰ চিঞৰিবলৈয়ো শক্তি নোহোৱা হ'ল। ঠাইডোখৰত এচেৰেঙা ৰ'দৰ পোহৰ পৰিলহি। এইবাৰ স্পষ্ট দেখিলে, আৰু এডাল সাপে তেওঁৰ পেটটো মেৰিয়াই ধৰিছে। গিলিয়াটে দেখিলে এই বিজলুৱা বস্তুটোৰ বান্ধোনৰ পৰা মুক্তি আশা কৰা ভুল। তাৰ পৰা ওলোৱা কাঁইটবোৰ মাংসৰ মাজত আঁত খাই লাগি ধৰিছে। অলপ পাচতে পঞ্চম এডাল সাপে গোটেই গাটো মেৰিয়াই ধৰিলে। গিলিয়াটৰ উশাহ বন্ধ হৈ আহিল।

এই বস্তুবোৰ আগৰ পিনে বেজী যেন জোঙা আৰু গুৰিৰ পিনে ক্ৰমে বহল। ঠিক তৰোৱালৰ দৰে। অলপ পাচতে চকুত পৰিল, তেজবঙী খুটা এটাত জোপ লৈ থকা জন্তুটো। সাপৰ দৰে বস্তুকেইটা জন্তুটোৰ ঠেংহে। চকু দুটা টলমলাই জিলিকি আছে। যেন উজ্জ্বল দুকুৰা জুই।

গিলিয়াটে বুজিলে, জন্তুটো এটা অক্টোপাছ।

তাৰ আঁঠোটা ঠেং আছে। তাৰ তিনিটাই গুহাৰ দেৱালখন খামোচ মাৰি ধৰি আছে। বাকী পাঁচোটাই গিলিয়াটক মৰণ-পাশেৰে বান্ধি ৰাখিছে। তাৰ ঠেঙৰ পৰা ওলোৱা আঁঢ়ে শ



জন্তুটোৱে গিলিয়াটৰ বুকুখন কামুৰিবলৈ মুখখন আগবঢ়াই নিলে

ডাল কাঁইটে তেতিয়া গিলিয়াটৰ শৰীৰৰ সকলো তেজ শুহি নিছে।

মৰণ অৱশ্যম্ভাৱী!

তথাপি গিলিয়াটে এটা কথা পাহৰা নাছিল যে, এটা মুহূৰ্তত যদি এই জন্তুটোক মাৰিবৰ কাৰণে সোণালী ছেগ পোৱা যায়। মাত্ৰ এটা ছেগ! তেতিয়া জন্তুটোৱে হাতৰ চিকাৰটো খাবৰ কাৰণে মুখখন আগবঢ়াই আনে। লগে লগে ডিঙিটো এডাল সূতাৰ দৰে চিয়াঁ হৈ পৰে। সেই ছেগটো হেৰুৱালেই, মৰণ নিশ্চিত।

জন্তুটোৱে গিলিয়াটৰ তেজ শুহিবলৈ লাগিল। গিলিয়াটেও হাতৰ কটাৰীখন মুঠি মাৰি ধৰি বৈ আছিল।

হঠাৎ জন্তুটোৱে গিলিয়াটৰ বুকুখন কামুৰিবলৈ মুখখন আগবঢ়াই নিলে। চকুৰ জুই দুকুৰা যেন গিলিয়াটৰ পিনে উল্কাৰ বেগেৰে আগবাঢ়ি আহিল। চকুৰ পচাৰতে গিলিয়াটেও কটাৰী-খনেৰে ৰেপ মাৰি দিলে ডিঙিটো। লগে লগে সাগৰৰ নীল পানী তেজেৰে ৰঙা হৈ উঠিল। বান্ধোনটো ক্ৰমে ঢিলা হৈ আহিল।

গিলিয়াট ভাগৰত লালকাল হৈ পৰিছিল। এটা শিলৰ ওপৰত বহি অলপ জিৰণি ল'লে। গোটেই গাটো অক্টোপাছৰ কাঁইটৰ আঁচোৰ লাগি তেজেৰে লুতুৰি-পুতুৰি হৈ পৰিছে। হঠাৎ তেওঁৰ চকুত পৰিল, গুহাটোৰ এচুকত যেন এটা মৰা মানুহৰ জ'কা। মুৰৰ খোলাটোৰ বিন্ধা দুটাৰ মাজেদি জোৱাৰৰ ঢৌ এটা বাগৰি যোৱাৰ লগে লগে জ'কাটো কৰকৰাই উঠিল।

মানুহটোৱে বোধকৰোঁ অক্টোপছৰ হাততে প্ৰাণ দিছে। কিন্তু জ'কাটোৰ ক'কালত সেইটো কি? ভালকৈ চাই দেখিলে, এডাল চামৰাৰ পেটি। তাত যেন কিবা এটা বন্ধা আছে। গিলিয়াটে ভাবিবলৈ ধৰিলে, জ'কাটোৰ ওপৰত পেটিডাল বন্ধা ভাগেই থাকিল কেনেকৈ? তেওঁ দেখিলে জ'কাটোৰ চাৰিওপিনে এদম কেঁকোৰাৰ খোলা! গিলিয়াটে বুজিলে, অক্টোপাছে মানুহ গিলি নেখায়।

তেওঁনি শূহি মৰা-শটো পেলাই থৈ দিয়ে। কেঁকোৰাই মৰা-শৰ গোন্ধাই খাবলৈ আহে। অক্টোপাছে সেইবোৰ ধৰি ধৰি ভোজ পাতে গিলিয়াটৰ ঘিণ লাগিল, কেঁকোৰা খাবলৈ। কেঁকোৰাই মানুহ খায়। অক্টোপাছে কেঁকোৰা খায়। গিলিয়াটেও কেঁকোৰা খায়।

মৰাৰ পেটিডাল কাটি আনি দেখিলে, এটা লোহাৰ টেমা বান্ধি থোৱা আছে। আৰু তাৰ লগত কিছুমান সোণৰ মুদ্ৰা। টেমাটোৰ ওপৰ স্প্ৰিং লগোৱা ঢাকনি এখন আছে। মামৰে ধৰাত স্প্ৰিঙে কাম নকৰা হ'ল। কটাৰীৰ আগেৰে ঢাকনিখন খুলি দেখিলে, ভিতৰত কিছুমান কাগজ। তিনিখন এহেজাৰ পাউণ্ডৰ নোট। মুঠতে ৭৫,০০০ ফ্ৰাঁ আছে।

গিলিয়াটে পঢ়িলে, চামবাৰ গাত লিখা আছে—ক্লিউবাঁ।

সূৰ্য ওলাল। পাহাৰৰ ওপৰত থিয় হৈ উলঙ্গ গিলিয়াটে জাৰত কঁপি কঁপি আকাশ-পাতাল ভাবিছে। গিলিয়াটৰ গোটেই চেহেৰাটো সলনি হৈ গৈছে। গোটেই গাতে অক্টোপাছে আঁচোৰা ঘা। গিলিয়াটে দ্যুৰাঁদৰ ফটা পালৰ টুকুৰাবোৰ গোটাই কংকালত মেৰিয়াই ল'লে। কংকালত মাৰি ল'লে চামবাৰ পেটিডাল। তাৰ লগত ৰ'ল, ৭৫,০০০ ফ্ৰাঁ।

জোৱাৰৰ পানী বাঢ়ি আহিল। পাহাৰৰ শিখৰটো পানীৰ তলত ডুব গ'ল। বতাহো অনুকূল। গিলিয়াটে আগেয়ে ঠিক কৰি থোৱা যন্ত্ৰ-পাতিৰ সহায়ত দ্যুৰাঁদক সাগৰৰ পানীলৈ নমালে।

গাৰ্ণচেলৈ আজি দ্যুৰাঁদক লৈ যাব। গিলিয়াটৰ কণ্ঠত সেই পুৰণি বাঁহীৰ সুৰটো বাজি উঠিল—বহুত দিনৰ পুৰণি সুৰটো।

ল্যাটিয়াৰিৰ জীৱনৰ সপোন শেষ হৈ গৈছে। দ্যবাঁদৰ দুৰ্ঘটনা ঘটাৰ পাচৰে পৰা কাৰো লগত কথা-বতৰা নেপাতে। ৰাতি উজাগৰে কটায়। গোটেই আবেলিটো খিৰিকিৰ কাষত বহি বন্দৰৰ পিনে চাই কটাই দিয়ে। মাজে মাজে দিনৰ পোহৰতে সপোন দেখাৰ দৰে চিঞৰি উঠে।

ঃ দ্যবাঁদ তো আৰু উলটি নাহে। মোৰ এই জীৱনটোক ব্যৰ্থ কৰি গুচি গ'লি, দ্যবাঁদ!

একমাত্ৰ দেৰুছেতৰ বাহিৰে তেওঁৰ জীৱন এতিয়া মৰুভূমিৰ বালিৰ দৰে শূন্য, শুকান। কিন্তু দেৰুছেতৰ মুখৰ হাঁহিটোও যেন কোনোবাই কাঢ়ি নিলে। ল্যাটিয়াৰিক ভুলাবলৈ গৈ নিজৰ বুকুৰ বেজাৰটোহে প্ৰকাশ কৰি পেলায়।

প্ৰায় আঢ়ৈ মাহ এইদৰে গ'ল।

পিয়নে চিঠি দি গ'ল এখন। ল্যাটিয়াৰিৰ নামৰ চিঠি। তেওঁৰ কিন্তু চিঠিখন খুলিবৰ উৎসাহকণো নাইকিয়া হৈ গৈছে। মেজৰ চিঠি মেজতে পৰি ৰ'ল। হঠাৎ এদিন তেওঁৰ চকু পৰিল চিঠিখনৰ ওপৰত। যন্ত্ৰচালিতৰ দৰে চিঠিখন খুলি পেলালে। তাত লিখা বৈছে.

ঃ মই বহুত দূৰ আহিলোঁ। এটা ভাল বাতৰি দিব খুজিছোঁ। মোক আপুনি বেয়া বুলি নেভাবিব। ক্লিউবাঁ যিমান ভাল, ময়ো সিমানেই ভাল। আপোনাৰ ভাগৰ টকাখিনি বিশেষ এটা প্ৰয়োজনত লৈ আনিছিলোঁ। কিছু দিন আগেয়ে সেইখিনি চেণ্ট মেলোৰ পৰা ইয়ালৈ অহাৰ সময়ত ক্লিউবাঁৰ হাতত দি আহিছোঁ। এটা লোহাৰ টেমাৰ ভিতৰত তিনিখন এহেজাৰ পাউণ্ডৰ নোট আছে। সুদে মূলে মুঠতে ৭৫,০০০ ফ্ৰাঁ তেওঁৰ হাতত দিছোঁ। ক্লিউবাঁৰ হাতত এটা ৰিভলভাৰ আছিল। সেই কাৰণে, ৰছিদ ল'ব নোৱাৰিলোঁ। ইতি—

ৰেটান।

ল্যাটিয়াৰিৰ চকুৰ আগৰ পৰা ৰহস্যৰ কুঁৱলীবোৰ যেন গলি

শেষ হৈ গ'ল। দ্যুৰাঁদ ডুবাৰ পাচত ক্লিউবাঁৰ বিৰুদ্ধে বহুত প্ৰমাণ পাইছে। আগৰ খেপত সি দ্যুৰাঁদক লৈ আহোঁতে হেনৰেজত চপাই তাৰ মোনা আৰু জৰী থৈ আহিছিল।

জৰীডাল ওলোমাই থোৱা পোৱা গৈছে। আৰু এটা ভূতে পোৱা ঘৰত ক্লিউবাঁৰ মোনাটোও পোৱা গৈছে। তাৰ ভিতৰত শুকান কাপোৰ-কানি আৰু খোৱা-বস্তু আছিল,। ক্লিউবাঁই বিভলভাৰ কিনাৰ কথাও গম পোৱা গৈছে। বিভলভাৰ কিয় কিনিছিল? এবটল দামী মদ কিনাৰো প্ৰমাণ ওলাইছে। টেংগ্ৰুইলে মদ খাবলৈ পালে ক'ত? ক্লিউবাঁই কাপ্তান হৈ নিজে গুৰি ধৰিছিল কিয়? সাৱধান কৰা সত্ত্বেও কুঁৱলীৰ মাজত জাহাজ এৰাৰ কাৰণ কি? ৬১৯ নং পহৰীয়াক কোনে মাৰিলে? ইমানবোৰ প্ৰমাণ পোৱা সত্ত্বেও কোনেও উলিয়াব পৰা নাছিল, কি উদ্দেশ্য লৈ ক্লিউবাঁই জাহাজখন ডুবালে? জাহাজখন যে ক্লিউবাঁয়ে ডুবালে, সেইটো সঠিক। কিন্তু কাৰণটো কোনেও বিচাৰি উলিয়াব পৰা নাছিল? তাৰ উপৰিও, এই ঘটনাৰ লগত ৬১৯ নং পহৰীয়াৰ হত্যাৰ সম্পৰ্কটো কি, সিও ৰহস্য হৈয়েই থাকিল।

ল্যাটিয়াৰিয়ে আজি বুজি পালে, দ্যুৰাঁদ ধ্বংসৰ কাৰণ। ল্যাটিয়াৰিৰ চকু-পানী ব'বলৈয়ো চকুৰ মণি শুকাই গ'ল। দুখবোৰ যেতিয়া একেলগে আহে, সহিবৰ শক্তি থাকে। কিন্তু তেতিয়া এনেকৈ টুকুৰা-টুকুৰকৈ মাজে মাজে আহি থাকে, তেতিয়া কান্দিবৰ শক্তিও নেথাকে। ৰজাৰ কাৰেং যেতিয়া চকুৰ আগতে ভাগি পৰে, তেতিয়া কেৱল দুখ লাগে। কিন্তু এডোখৰ দুডোখৰকৈ যেতিয়া ইটাৰ টুকুৰা এৰাই থাকে, তেতিয়া চকু-পানী টুকিবলৈ চকুৰেই ঘোলা হৈ পৰে। দ্যুৰাঁদ গ'ল। দুখ লাগিছিল। এতিয়া ৭৫,০০০ ফ্ৰাঁ যোৱাৰ বাতৰি আহিল। ল্যাটিয়াৰি কাঠৰ পুতলাৰ দৰে বহি ৰ'ল।

শূন্য দৃষ্টিৰে চালে, খিৰিকিৰ মাজেদি দূৰৰ সাগৰলৈ।

নীল সাগৰৰ পটভূমিকাত জাহাজৰ চিমনি এটা দেখা গৈছে।

ঠিক দ্যুৰাঁদৰ চিমনিৰ দৰে। ল্যাটিয়াৰিয়ে চকু দুটা হাতেৰে মোহাৰি চালে। সঁচাই চিমনি। সপোন নে যাদু? ল্যাটিয়াৰি খিৰিকিৰ কাষ চাপি গ'ল।

জোনাকবোৰ গলি গলি পৰিছে বন্দৰটোৰ ওপৰত। উঁহো ভুল হোৱা নাই তেওঁৰ। হাতত লেম এটা লৈ বুঢ়া ল্যাটিয়াৰি বাটলৈ দৌৰি ওলাই গ'ল। সেই মাজনিশা বাটত এটি জন-প্ৰাণীও নাছিল। এয়া যে দ্যুৰাঁদ! সঁচাসঁচিকৈয়ে দ্যুৰাঁদ! ল্যাটিয়াৰিয়ে চিঞৰি উঠিল বলিয়াৰ দৰে।

ঃ উকি বজোৱা। দ্যুৰাঁদ উলটি আহিছে—মোৰ দ্যুৰাঁদ!

বুঢ়া ল্যাটিয়াৰিয়ে নিজেই শিকলিত ধৰি টান দিলে—শৰীৰৰ গোটেইখিনি শক্তিৰে। ৰাতিৰ নিজমতা ভাঙি, দ্যুৰাঁদৰ উকিৰ শব্দটো বহুত দূৰলৈ ওপঙি গ'ল।

পুৱাতে দ্যুৰাঁদক লৈ ডোভার্চৰ পৰা ৰাওনা হৈছিল, গিলিয়াট। গার্ণচে পাওঁতে ৰাতি ন বাজিল। সৰু বন্দৰটো তেতিয়া টোপনিৰ কোলাত। চাকি-বাতি নুমাল। দ্যুৰাঁদক বন্দৰত লগাই থৈ গিলিয়াটে নিঃশব্দে 'ব্রাভে'ৰ পিনে আগবাঢ়ি আহিল।

সৰু পথ। দুয়ো দাঁতিয়ে গছ-লতাৰ শাৰী। সমুখত ল্যাটিয়াৰিৰ ফুলনি। ইয়াতে কিমান দিন দেৰুছেতৰ ফুলৰ দৰে ধুনীয়া মুখখন দেখিছে।

সৌৱা, আজিও বহি আছে দেৰুছেৎ।

দেৰুছেৎ কেইখোজমান আগবাঢ়ি আহি বেঞ্চৰ ওপৰত বহিলহি। জোনাকত গা ধুই উঠা সাগৰৰ দেৱীৰ দৰে দেৰুছেৎ। গিলিয়াটে অন্তৰৰ দুকূল ওপচা আনন্দেৰে চালে, দেৰুছেতৰ পিনে।

ফুলনিৰ আন মূৰৰ পৰা কোনোবা এজন যেন সোমাই আহিল। সুন্দৰ সুঠাম ডেকা এজন। ডেকাজন কদ্রে। কদ্রেই তেওঁৰ ভাগ

পৰিৱৰ্তনৰ কথা দেৱ্ছেতক জনালে। মোমায়েক ঢুকাল। তেওঁ এতিয়া অসীম সম্পত্তিৰ গৰাকী।

কদ্রেই বাইবেলৰ কবিত্বপূৰ্ণ ভাষাৰে অন্তৰৰ কথা জনালে। দেৱ্ছেতৰ অবিহনে কদ্রেৰ জীৱন চাহাৰাৰ বালিৰ দৰে হৈ যাব। তেওঁ দেৱ্ছেতক বিয়া কৰাব খোজে।

দেৱ্ছেতে কঁপা মাতেৰে সন্মতি জনালে।

হঠাৎ যেন চাৰিওপিনৰ জোনাকৰ কণিকাবোৰ আন্ধাৰৰ টুকুৰা হৈ পৰিল, গিলিয়াটৰ চকুত। 'বুদ্যালাৰু'ৰ এই মানুহটোৰ কথা দেৱ্ছেতে পাহৰি গৈছে। পাহৰি গৈছে, তেওঁৰ প্ৰতিজ্ঞাৰ কথা।

গিলিয়াটৰ কাণত পৰিল, বতাহত ওপঙি অহা দ্যুৰাঁদৰ দীঘলীয়া উকিটোৰ মাৰ যোৱা উকা ৰিংটো আৰু ল্যাটিয়াৰিৰ হাঁহিৰ শেষ খলকনিটো।

ঃ দ্যুৰাঁদ উলটি আহিছে। মোৰ দ্যুৰাঁদ। ক'লৈ গ'ল সেই সিংহৰ পোৱালীটো?

●

পথৰ এদাঁতিত গিলিয়াট থিয় হৈ আছে। ল্যাটিয়াৰিয়ে তেওঁকেই বিচাৰি ফুৰিছে। গিলিয়াটক সাৱটি ধৰি ল্যাটিয়াৰিয়ে জোকাৰিবলৈ ধৰিলে। তেওঁক টানি-আঁজুৰি 'ব্ৰাভে'ৰ পিনে লৈ গ'ল।

ঃ তুমি সঁচাই বাঘৰ পোৱালী। কোৱা মোৰ দ্যুৰাঁদক কেনেকৈ পাহাৰৰ শিখৰৰ পৰা নমাই আনিলা! মই সপোন দেখা নাই তো? মই বলিয়া হৈ গৈছোঁ নেকি বাৰু? ভাল কথা, তুমি বোধকৰোঁ শুনিছা—ক্লিউবাঁৰ কাৰণেই মোৰ এনে দশা হ'ল। গিলিয়াট, এইবাৰ আমি দুজনে দ্যুৰাঁদক কুৰি ফুট ডাঙৰ কৰিম। সকলো তোমাক সুধি কৰিম। তুমিয়েই যে মোৰ সকলো। খুব ভাল ভাল কাঠ আনিব লাগিব। সিহঁতে নিশ্চয় এইবাৰ মোক ধাৰ দিব।

গিলিয়াটে কংকালৰ পেটিডাল খুলি মেজৰ ওপৰত থ'লে।

পেটিডালত স্পষ্টকৈ লিখা আছে – ক্লিউবাঁ। তাৰ পাচত লোহাৰ টেমাটো খুলি দেখে, তিনি হেজাৰ পাউণ্ডৰ নোট।

ঃ তিনি হেজাৰ পাউণ্ড! মোৰ হেৰোৱা ৭৫,০০০ ফ্ৰাঁ। তুমি পাতালপুৰীৰ পৰা আহিলাগৈ নেকি? এই পেটিডাল ক'ত পালা তুমি?—কোন আছা, দেৰুছেতক মাতি আনা।—গিলিয়াট! দেৰুছেতক তুমি বিয়া কৰাব লাগিব।

গিলিয়াটৰ মুখখন বেজাৰৰ ডাৱৰে ঢাকি ধৰিলে। বুঢ়া ল্যাটিয়াৰিৰ আনন্দ দেখি, চকু-পানী ওলাল।

দুয়োঁদ অহাৰ কথা চাৰিওপিনে বিয়পি পৰিল। মানুহে জুম বান্ধি ল্যাটিয়াৰিক চাবলৈ আহিল আৰু যাদুকৰ গিলিয়াটক।

ছাঁৰ দৰে সোমালহি দেৰুছেৎ। ল্যাটিয়াৰি জাপ মাৰি উঠিল।

ঃ দেৰুছেৎ! আমাৰ সুখৰ দিন উভতি আহিছে। গিলিয়াট হ'ব, তোৰ স্বামী।

ওচৰতে থিয় দি আছিল, কদ্ৰে। দেৰুছেতে তেওঁৰ পিনে এবাৰ চালে। ল্যাটিয়াৰিয়ে অনৰ্গল কৈ গ'ল,

ঃ বহুত দিন আগেয়ে সৰু ল'ৰাটোৱে যেতিয়া ৰাজ্যৰ নাবিক বিলাকক নাও খেলত হৰুৱাইছিল, তেতিয়াই মই কৈছিলোঁ—এই ল'ৰা সময়ত অসাধাৰণ হৈ উঠিব। দেৰুছেৎ! তই এদিন কৈছিলি, এওঁৰ লগত বিয়া সোমাবি বুলি। আজি তোৰ প্ৰতিজ্ঞাপালনৰ দিন।

বুঢ়াই মুৰ দাঙি দেখিলে, গিলিয়াট পলাব খুজিছে।

ঃ গিলিয়াট। আগবাঢ়ি আহাঁ। ইকি! পুৰোহিত কদ্ৰেও দেখোন। ভালেই হ'ল! জী-জোঁৱাইৰ বিয়াখন তুমিয়েই পাতি দি যোৱা।

দুডাল শকত মমবাতি অনা হ'ল। মেজৰ ওপৰত থ'লত, গিলিয়াটৰ গোটেই গাতে পোহৰৰ চিটিকনি পৰিল। পালৰ ফটা কাপোৰ পিন্ধা গিলিয়াটৰ হাতে-ভৰিয়ে অক্টোপাছৰ আঁচোৰ। মুখত দীঘল দাড়ি। চুলিত জটা বান্ধিছে। ভৰি দুটা কাটি তেজ ওলাইছে।

ল্যাটিয়াৰিয়ে কৰুণ দৃষ্টিৰে চালে, তেওঁৰ পিনে।

দেৰুছেতেও গিলিয়াটৰ পিনে চালে। লগে লগে মূৰ্ছা গ'ল।



পালৰ ফটা কাপোৰ পিন্ধা গিলিয়াটৰ হাতে-ভাঁৰয়ে
অক্টোপাছৰ আঁচোৰ ।

গুৰা গাৰ্ণচেৰ মানুহৰ মুখে মুখে দুয়োঁদৰ সাধু।

কদ্ৰে আজি আন এখন জাহাজত উঠি মোমায়েকৰ ঘৰলৈ যাব! যাবৰ সময়ত দেৱুছেতৰ পিনে চাই ক'লে,

ঃ বিদায়, দেৱুছেং। বিদায়।

দেৱুছেতে কান্দি পেলালে।

ঃ কিয় তুমি মোক এৰি যাবলৈ ওলাইছা? এটা ইঞ্জিন উদ্ধাৰ কৰি আনিলে বুলিয়ে মই তেওঁক বিয়া কৰিব লাগিব নেকি? মানুহটো দেখিলেই মোৰ ভয় লাগে।

ঃ কিন্তু, মই যে যাবই লাগিব।

ঃ সেইবুলি তুমি ইমান নিষ্ঠুৰ হ'বা নেকি?

ওচৰৰ হাবিৰ মাজৰ পৰা এজন ডেকা ওলাই আহিল,

ঃ বাবু, তোমালোক দুজনৰ বিয়া হোৱাত আপত্তি কি?

দেৱুছেতে দেখিলে, সমুখত গিলিয়াট। আজি তেওঁৰ চেহেৰা বেলেগ; ধুনীয়া সাজ-পাৰ পিন্ধি আহিছে। হাতত আঙঠি। ভৰিত জোতা। ধুনীয়া ডেকাজন।

ঃ আপুনি এনেকৈ বিদায় লৈছে কিয়? দুয়োজনৰে বিয়া হওক।

দেৱুছেং চমকি উঠিল,

ঃ কিন্তু মোৰ খুৰাদেউ?

ঃ তোমালোকৰ বিয়া হৈ গ'লে, মই সন্মতি আনি দিম বাবু।

কদ্ৰেৰ পিনে চাই ক'লে,

ঃ দুয়ো ওলাওক বেগেতে। পলম নকৰিব।

কদ্ৰেই মুগ্ধ দৃষ্টিৰে চাই ৰ'ল, গিলিয়াটৰ পিনে।

ঃ চিনিছোঁ। আপুনিয়েই এদিন মোৰ প্ৰাণ দিছিল।

ঃ বিশেষ ডাঙৰ ঘটনা হোৱা নাছিল।

ঃ যিদিনা প্ৰথম মই এই দ্বীপত ভৰি দিছিলোঁহি—

কদ্ৰেৰ মুখৰ কথা কাঢ়ি আনি গিলিয়াটে অনুশাসনৰ সুৰত ক'লে,

ঃ সময় বেচি নাই। ব'লক মোৰ লগত।

দুয়োকো গিলিয়াটে গিৰ্জালৈ লৈ গ'ল। পুৰোহিতে সুধিলে, কোনে কন্যাদান কৰিব? গিলিয়াটে আগবাঢ়ি আহি হাতৰ আঙঠিটো খুলি কদ্ৰেৰ হাতত পিন্ধাই দিলে। বিয়া শেষ হ'ল।

তাৰ পাচত, কদ্রেহঁত জাহাজৰ ফালে ওলাল। জাহাজ এৰিবলৈ আৰু বেচি বেলি নাই।

গিলয়াটে মাকে ৰাখি যোৱা কাপোৰৰ টোপোলাটো দেৰুছেতক দি ক'লে,

ঃ এইখিনি ৰাখা। লৰালৰিকৈ ওলাইছা যেতিয়া, সময়ত কামত লাগিব পাৰে।

দুয়ো জাহাজত উঠিলগৈ!

গিলিয়াট উলটিল, বন্দৰৰ পৰা। ক'লৈ যাব তেওঁ? সাগৰৰ পাৰে পাৰে যাবলৈ ধৰিলে, বালিৰ ওপৰত জোৱাৰে এৰি যোৱা ফেনবোৰ গচকি গচকি।

এই টকুৰা ঠাইতে দেৰুছেতে এদিন বৰফৰ ওপৰত তেওঁৰ নাম লিখিছিল। বৰফখিনি গলি পানী হৈ সাগৰৰ নীল পানীৰ সৈতে মিলি গ'ল।

বাটত এজন মাছ মাৰি উলটি অহা মানুহে ৰিঙিয়াই ক'লে,

ঃ সাৱধান দেই। জোৱাৰ আহিছে।

গিলিয়াটে কাণ নিদিলে, তেওঁৰ কথালৈ। লাহে লাহে পাহাৰটোৰ ওপৰলৈ উঠিল। এই পাহাৰটোতে এদিন কদ্রেক মৃত্যুৰ মুখৰ পৰা বচাইছিল।

জোৱাৰৰ পানী ক্ৰমে বাঢ়ি আহিছে। অলপ পাচতে শিখৰটো ডুবি যাব।

জাহাজখন ক্ৰমে দূৰলৈ গুচি গৈছে। ৰেলিঙৰ দাঁতিত কদ্রে আৰু দেৰুছেৎ। গিলিয়াটে চালে, সজল চকুৰে। ভৰিটো ধুৱাই গ'ল, প্ৰথম ঢৌটোৱে। আৰু এটা ঢৌ—

জাহাজৰ ছবিটো ক্ষীণ হৈ আহিছে।

গিলিয়াটৰ বুকুলৈকে পানী উঠিছে। এজাক সান্ধ্যাৰ চৰাই তেওঁৰ মূৰৰ ওপৰেদি উৰি গ'ল।

ৰাতিৰ আন্ধাৰে আকাশ আৰু পৃথিৱীক এক কৰি তুলিছে। সাগৰৰ অশান্ত শব্দটোৰ বাহিৰে আৰু কোনো শব্দ নাছিল।

—(⁂)—

# সমাপ্ত

*Digitized by :*

NABAJYOTI DAS & NIBIR BORPUZARI

*for,*

BLOG অসম

For more Updates like this keep on visiting BLOG অসম . If you want to contribute your eBooks or other contents at BLOG অসম mail us at

*nibirborpuzari@gmail.com*

*Or*

*nabojyoti@gmail.com*